



গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৬ জুন, ২০২৫/২২ জেঠ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৭ ● Vol - 14, Issue - 7


# আন্তঃৰাজ্যিক কেইবাটাও বিষয় সমাধানৰ অৰ্থে কইনাধৰাত অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ বৈঠক

## অহা ১৫ আগষ্টৰ ভিতৰত পাঁচটা এলেকাৰ চাৰিসীমাৰ খুঁটা পোতাৰ বাবে বৈঠকত সিদ্ধান্ত গ্ৰহণ, অসম আৰু মেঘালয়ৰ বন্ধুত্বপূৰ্ণ প্ৰকল্প হিচাপে কুলশীত নিৰ্মাণ কৰা হ'ব বহুমুখী প্ৰকল্প, গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে ছেটেলাইট মেপিঙৰ আধাৰত আই আই টি, ৰুৰকীৰ পৰামৰ্শ গ্ৰহণৰ সিদ্ধান্ত







**দিছপুৰ ঃ** অসম আৰু মেঘালয়ৰ আন্তঃৰাজ্যিক কেইবাটাও বিষয় আলোচনাৰ মাধ্যমে সমাধানৰ উদ্দেশ্যে গুৱাহাটীৰ কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই এখন বৈঠক মিলিত হয়। এই বৈঠকত দুয়োখন ৰাজ্যৰ উমৈহতীয়া সমস্যাৰাজিৰ সম্পৰ্কত বিতংভাৱে আলোচনা কৰা হয়। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই বৈঠকত এক বন্ধুত্বপূৰ্ণ আৰু সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত অসম আৰু মেঘালয়ৰ আন্তঃৰাজ্যিক সীমা সমস্যা সমাধান, গুৱাহাটীৰ কৃত্ৰিম বানপানী সমস্যাৰ নিৰসন তথা অসম আৰু মেঘালয়ৰ সীমান্তত কুলশীত বহুমুখী প্ৰকল্পত নিৰ্মাণৰ সম্পৰ্কত দুয়োখন চৰকাৰৰ মাজত আলোচনা অনুষ্ঠিত হয়। দুয়োখন ৰাজ্যৰ আন্তঃৰাজ্যিক সীমা সমস্যাৰ সন্দৰ্ভত হোৱা আলোচনাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম আৰু মেঘালয় চৰকাৰে বুজাবুজিৰ চুক্তিৰ মাধ্যমেৰে ৬ টা বিবদমান অঞ্চলৰ সমস্যাৰ সমাধান কৰিছিল। তেওঁ কয় যে পিলিংকাটা এলেকাক বাদ দি বাকী পাঁচটা এলেকাত অহা ১৫ আগষ্টৰ ভিতৰত চাৰিসীমাৰ খুঁটা পোতাৰ বাবে দুয়োখন চৰকাৰে আজিৰ বৈঠকত ঐক্যমতত উপনীত হৈছে। পিলিংকাটা এলেকাক লৈ যি কিছু সমস্যা আছে সেয়া সমাধানৰ অৰ্থে দুয়োখন ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট জিলা দুখনৰ আয়ুক্তসকলে আলোচনাত মিলিত হ'ব। পিলিংকাটা এলেকাৰ এই সমস্যাৰ নিশ্চিত সমাধান উলিয়াব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আনহাতে অসম আৰু মেঘালয় সীমান্তত কুলশীত এটা বহুমুখী প্ৰকল্প নিৰ্মাণ কৰাৰ বিষয়ে বৈঠকত হোৱা আলোচনাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পৰ জৰিয়তে ৫৫ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰিব পৰা যাব। তদুপৰি প্ৰকল্পটো নিৰ্মাণ হৈ উঠিলে কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিস্তীৰ্ণ অঞ্চলত জলসিঞ্চনৰ সুবিধা কৰিব পৰা যাব। আজিৰ এই বৈঠকত অসম আৰু মেঘালয়ৰ বন্ধুত্বপূৰ্ণ প্ৰকল্প হিচাপে ইয়াক নিৰ্মাণ কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে বুলিও তেওঁ কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰকল্পটো স্থাপনৰ পূৰ্বে স্থানীয় ৰাইজৰ লগত ৰাজ্য চৰকাৰে আলোচনা কৰিব। প্ৰকল্পটো ৰূপায়ণ সন্দৰ্ভত গাঁওবাসীৰ সৈতে আলোচনা কৰি তেওঁলোকৰ সন্মতি ১০ পৃষ্ঠাত

# লখিমপুৰ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## প্ৰায় ১ কিলোমিটাৰ খোজ কাঢ়ি মথাউৰিৰ ছিঙা অংশ পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যেৰে লখিমপুৰ জিলাত উপস্থিত হৈ আমতলা আৰু বৰবিলৰ বান প্লাবিত এলেকাৰ লগতে পাঁচনৈয়ে ক্ষতিগ্ৰস্ত কৰা অঞ্চল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে বানপীড়িত লোকৰ সৈতে বাৰ্তালাপ কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰো বুজ লয়। উল্লেখ্য যে, আমতলা মথাউৰি ভঙাৰ ফলত বিস্তীৰ্ণ এলেকা প্লাৱিত হৈ পৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰথমে নৱগঠিত নাওবৈচা সমষ্টিৰ আমতলাত উপস্থিত হৈ বানত ক্ষতিগ্ৰস্ত লোকসকলৰ ১০ পৃষ্ঠাত

# কাছাৰ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## নগৰীয়া বানপানীৰ সৈতে মোকাবিলা কৰিবলৈ জলাশয় সংৰক্ষণৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যেৰে কাছাৰ জিলাত উপস্থিত হৈ ৬ টা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে বানপীড়িত লোকসকলৰ সৈতে বাৰ্তালাপ কৰি পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰাৰ লগতে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে চৰকাৰী ব'য়জ হায়াৰ ছেকেণ্ডাৰী স্কুল, নৰ্মাল স্কুল, কেন্দ্ৰীয় বিদ্যালয়, কচমিক মাৰ্কেট মালিনী বিল, উকিল বজাৰ ইল পি স্কুল, হিৰণপ্ৰভা শিশু মন্দিৰত স্থাপন কৰা সাহায্য শিবিৰ পৰিদৰ্শন কৰে। তেওঁ শিবিৰত আশ্ৰয় গ্ৰহণ কৰি থকা বানপীড়িত লোকৰ সৈতে মত বিনিময় কৰে। তেওঁ শিবিৰসমূহত প্ৰয়োজনীয় খাদ্য সামগ্ৰী, বিশুদ্ধ খোৱাপানী, ২৪ ঘণ্টাই চিকিৎসা সেৱা প্ৰদান, প্ৰয়োজনীয় ঔষধ যোগান সুনিশ্চিত কৰাৰ লগতে জ্যেষ্ঠ নাগৰিক, দুগ্ধপান কৰা মাতৃ আৰু শিশুৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ জিলা আয়ুক্তক



নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে বানপানীত ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে সাহায্য প্ৰদান, পুনৰ্বাসন নিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰীয়ে কয় যে বানপানী কমি যোৱাৰ লগে লগে শিবিৰসমূহত আশ্ৰয় লৈ থকা লোকসকলে যাতে তেওঁলোকৰ গৃহলৈ উভতি যাব পাৰে সেই দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। তেওঁ লগতে কয় যে বৰাক নদী যদিও বিপদ সীমাৰ ওপৰেৰে প্ৰৱাহিত হৈ আছে এতিয়ালৈকে কোনো ঠাইতে মথাউৰি ছিগা নাই। ১০ পৃষ্ঠাত

# ডিব্ৰুগড় পৰা ভাৰতীয় দলৰ হৈ ৰাছিয়াৰ মস্কৌলৈ ৰাওনা 'উচু' খেলুৱৈ কাশ্যপী সোণোৱাল



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হ'ব লগা মস্কো উচু (ইউ এচ ইউ) ষ্টাৰ চেম্পিয়নশ্বিপত দেশৰ হৈ প্ৰতিনিধিত্ব কৰাৰ বাবে ডিব্ৰুগড় পৰা ৰাওনা হৈছে কাশ্যপী সোণোৱাল। ডিব্ৰুগড়ৰ কদমণি ৰেৱা আগৰৱালা পথৰ নিৱাসী জয়ন্ত সোণোৱাল আৰু চিংকুমণি সোনোৱালৰ কন্যা তথা ডিব্ৰুগড় 'সম্পূৰ্ণ কেন্দ্ৰীয় বিদ্যালয়'ৰ অষ্টম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী কাশ্যপী সোণোৱালক বিগত ২ মে'ৰ পৰা ৬ মে'লৈ উত্তৰাখণ্ড ডেৰাডুনৰ ৰায়পুৰত অনুষ্ঠিত হোৱা বাচনি পৰীক্ষাত অংশগ্ৰহণ কৰি ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হ'বলগীয়া 'মস্কো উচু ষ্টাৰ চেম্পিয়নশ্বিপ'ৰ বাবে ভাৰতীয় দলটো নিৰ্বাচিত হৈছিল। উল্লেখযোগ্য যে, কাশ্যপী সোনোৱালে ইতিমধ্যে ডিব্ৰুগড় জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰু পাঞ্জাৱ, কলিকতা, ঝাৰখণ্ড, হিমাচল প্ৰদেশ, ইম্ফল, মণিপুৰ, শ্বিলং, উত্তৰাখণ্ড আদিৰ উপৰিও চীন, ৰাছিয়া আদিত অংশগ্ৰহণ কৰি সোণ, ৰূপ আদিৰ পদক অৰ্জন কৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকী ২০২২ ত ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনতো দেশৰ হৈ প্ৰতিনিধিত্ব কৰি চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। খেলুৱৈ গৰাকীয়ে এইবাৰো দেশৰ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ব বুলি সকলোৱে আশা কৰা লগতে ডিব্ৰুগড় জিলা উচু সন্থাৰ সভাপতি ড° শশীকান্ত শইকীয়া আৰু সম্পাদক তথা প্ৰশিক্ষক মমী কছাৰী সহ ক্ৰীড়া সংগঠকসমূহে শুভেচ্ছা জ্ঞাপন কৰিছে।

# অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতি গঠন

**ৰমেন, ভৰালী, গুৱাহাটী ঃ** শতবৰ্ষ গৰকা অসমৰ জাতীয় জীৱনৰ গৰিমামণ্ডিত অনুষ্ঠান অসম সাহিত্য সভা আৰু অসমৰ স্বজাতীয় অনুষ্ঠানসমূহৰ লগত মৈত্ৰী বন্ধন আৰু স্বজাতীয় ভাষা-সাহিত্য, সংস্কৃতিৰ উন্নতিৰ উদ্দেশ্যেৰে অসম সাহিত্য সভাৰ কেইবাগৰাকী সাহিত্যকৰ্মী, লেখক, সংগঠক আৰু সমাজ জীৱনৰ লগত সংপৃক্ত সমাজকৰ্মীৰ অন্তৰ্ভুক্তিৰে অসম সাহিত্য সভাৰ 'স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতি'খন গঠন কৰা হৈছে। সেই অনুসৰি সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। উপ-সভাপতি হিচাপে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, পদেন সদস্য হিচাপে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, কাৰ্যকৰী সভাপতি হিচাপে লক্ষীমপুৰৰ বিপুল শৰ্মা বৰুৱা, উপ-সভাপতি হিচাপে ধেমাজিৰ নামেশ্বৰ কাৰ্দং, গুৱাহাটীৰ প্ৰকাশ কৈৰাল্লা, বজালীৰ বৰুণ দাস, আহ্বায়ক হিচাপে কামৰূপৰ ৰমেন ভৰালী, সহযোগী আহ্বায়ক হিচাপে বিশ্বনাথৰ দীপক হাজৰিকা, কামৰূপৰ সুশীল কুমাৰ ডেকা, দৰঙৰ বাবুল মকছেদ আহমেদ আৰু সদস্য হিচাপে লক্ষীমপুৰৰ মবিন আহমেদ, ধেমাজিৰ জয় কুমাৰ দলে, কামৰূপ মহানগৰৰ এগৰাজ ছেত্ৰী, গোলাঘাটৰ ছাইফুল হুছেইন, বৰপেটা হাউলীৰ নৃপেন দাস আৰু দৰঙৰ ধাকমান শ্ৰেষ্ঠৰে গঠিত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ কাৰ্য বৰ্ষৰ 'স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতি'ক উক্ত দায়িত্ব অৰ্পণ কৰা হৈছে বুলি এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিয়ে।

# শিৱসাগৰ জিলাত অনুষ্ঠিত হৈছে বিকশিত কৃষি সংকল্প অভিযান

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** সমগ্ৰ দেশৰ লগতে শিৱসাগৰ জিলাতো বিকশিত কৃষি সংকল্প অভিযানৰ অলপতে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে, শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়াই অহা ১২ জুনলৈকে অনুষ্ঠিত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযানৰ সজাগতা বাহনৰ ফ্লেগ অফ আৰু বন্তি প্ৰজ্বলনেৰে আনুষ্ঠানিকভাৱে এই অভিযান জিলাখনত আৰম্ভ কৰে। জিলাখনৰ অন্তৰ্গত নিতাইপুখুৰীৰ ৰাজহুৱা সভাকক্ষত অনুষ্ঠিত প্ৰায় দুশ কৃষক ৰাইজ উপস্থিত থকা সজাগতা সভাত আদৰণি ভাষণ প্ৰদান কৰে শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° অৰুন্ধতী বৰদলৈয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, জিলা কৃষি বিষয়া আচিফ বৰা, সহকাৰী কৃষি সঞ্চালক অমৃত শইকীয়া, যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ সঞ্চালক ড° অনুপ দাস, কৃষি শস্য বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° কল্যাণ পাঠক, কৃষি বিভাগৰ মহকুমা কৃষি বিষয়াসকলৰ লগতে মীন আৰু পশুপালন আৰু পশুধন বিভাগ তথা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ-কৰ্মচাৰীসকল। সভাত আমন্ত্ৰিত বিষয়াবৃন্দই ভাষণ প্ৰদান কৰি কৃষকসকলক কৃষি কৰ্মত ব্ৰতী হৈ বিকশিত ভাৰত গঢ়াৰ বাবে আহ্বান জনায়। অনুষ্ঠানৰ সজাগতা সভাত উপস্থিত ১০জন কৃষকৰ মাজত "Soil Health Card" বিতৰণ কৰি কৃষক ৰাইজক উৎসাহিত কৰা হয়।



# উষানগৰী তেজপুৰত পদ্মজা কাশ্যপৰ 'মোৰ কথা জানো শুনিবা' শীৰ্ষক গীতৰ উন্মোচন

## পথ সুৰক্ষাৰ লগত উদ্দেশ্যি গীতটিৰ জৰিয়তে ৰাইজক সজাগতা কৰাৰ প্ৰয়াস



**চন্দন শৰ্মা, তেজপুৰ ঃ** উষানগৰী তেজপুৰত বৃহস্পতিবাৰে বিয়লি সাহিত্য সভা ভৱনত এম বি প্ৰডাকচনৰ নিবেদনত কণমানি কণ্ঠশিল্পী পদ্মজা কাশ্যপে কণ্ঠ নিগৰুৱা 'মোৰ কথা জানো শুনিবা' শীৰ্ষক গীতৰ আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে। তেজপুৰৰ ঘোষক ধৰিত্ৰী শ্ৰাৱনে আঁত ধৰা উক্ত উন্মোচনী সভাত সভাপতিৰ আসন অলংকৃত কৰে বেচৰকাৰী বাছ পৰিবহণ সন্থাৰ সভাপতি অমিত কুমাৰ নাথে, গীতটোৰ শুভ উন্মোচন কৰে শোণিতপুৰ জিলা পৰিবহণ বিষয়া অমিত কুমাৰ বৰুৱাই, মুখ্য অতিথিৰ আসন অলংকৃত কৰে অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুৰীমা দাসৰ লগতে বহুকেইজন গণ্যমান্য বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। তেজপুৰৰ নিৱাসী এনফৰচমেন্ট ইনচপেক্টৰ হিচাপে কৰ্মৰত কাবুল শইকীয়া আৰু মৌচুমী বৰুৱাৰ সু-কন্যা তথা কণ্ঠশিল্পী পদ্মজা কাশ্যপে কণ্ঠ নিগৰুৱা 'মোৰ কথা জানো শুনিবা' শীৰ্ষক গীতৰ ভিডিঅ' সম্পাদনৰ জৰিয়তে পথ সুৰক্ষাৰ লগত উদ্দেশ্যি ৰাইজক এক সজাগতা কৰাৰ প্ৰয়াসৰ বাবে কণমানি শিল্পীগৰাকীক আন্তৰিকতাৰে শলাগ লোৱাৰ লগতে তাইৰ ভৱিষ্যত উজ্বল কামনা কৰে শৈক্ষিক তথা সাংস্কৃতিক মহলে। উক্ত গীতটোত কথা, সুৰ, সংগীত মনোজ নাথ, পৰিচালনা চুমন নাথ, অভিনয় কৰে ক্ৰমে পদ্মজা কাশ্যপ, ৰাজীৱ হাজৰিকা, ৰিজু মনি দেৱী, জোন শইকীয়া আৰু কাবুল শইকীয়াই।

# আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্বলিল নগাঁৱৰ কণমানি ছাত্ৰ প্ৰজ্ঞাত জ্যোতি শইকীয়া

## কাৰাটেত আজুৰি আনিলে সোণসহ দুটাকৈ পদক



**জয়ন্ত মুদৈ, নগাঁও ঃ** সময়ে সময়ে ধাৰাবাহিকভাৱে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ যুৱক-যুৱতীয়ে বিভিন্ন ক্ষেত্ৰত সফলতা কঢ়িয়াই অনাৰ সমান্তৰালকৈ পুনৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠিল অসম সন্তান। এইবাৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্বলি উঠি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে নগাঁও জিলাৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰই। এই ছাত্ৰজন হৈছে জিলাখনৰ হাতীচোং মৌজাৰ চকলাঘাট জে বি স্কুলত অধ্যয়নৰত পঞ্চম মানৰ ছাত্ৰ প্ৰজ্ঞাত জ্যোতি শইকীয়া। আচলতে, জিলাখনৰ ৰাইদঙীয়াৰ আইভেটী নিৱাসী দিগন্ত শইকীয়া আৰু প্লাবিতা মুদৈ শইকীয়াৰ পুত্ৰ তথা জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈৰ ভাগিন প্ৰজ্ঞাত জ্যোতিয়ে যোৱা ২৪ মে'ৰ পৰা দুদিনীয়াকৈ নেপালৰ মেছি নগৰৰ জাপাৰ কাকৰভিটাত নেপাল চিটক্স-ৰিঅ' কাৰাটে স্কুলৰ ব্যৱস্থাপনাত তথা নেপাল কাৰাটে ড' ফেডাৰেচন আৰু নেপাল চিট'-ৰিঅ' কাৰাটে ড' এছ'চিয়েছনৰ সহযোগত অনুষ্ঠিত হোৱা একাদশ আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি দুটাকৈ পদক বুটলিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, প্ৰজ্ঞাত জ্যোতিয়ে উক্ত প্ৰতিযোগিতাখনিৰ কাটাত ল'ৰাৰ ১০-১১ বছৰ শাখাত সোণ আৰু কুমিটেত ল'ৰাৰ পয়ত্ৰিশ কেজিৰ অনূৰ্ধৰ শাখাত ৰূপৰ পদক আজুৰি আনে। সৰুৰে পৰা স্কুলীয়া শিক্ষাৰ সমান্তৰালকৈ চিহান পংকজ মুদৈৰ প্ৰশিক্ষণত কাৰাটেত একাগ্ৰতাৰে ব্যস্ত থকা প্ৰজ্ঞাত জ্যোতিয়ে নিজৰ দক্ষতাৰ বলত ইতিপূৰ্বে জিলা আৰু ৰাজ্যিক পৰ্যায়ত কেইবাটাও পদক অৰ্জন কৰিছে। তদুপৰি বিগত দুটাবৰ্ষটো নেপালত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত এটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক বুটলিবলৈ সক্ষম হৈছিল। প্ৰজ্ঞাত জ্যোতিৰ এই ঈষণীয় সফলতাই এতিয়া সমগ্ৰ অসমৰ লগতে নগাঁও জিলাবাসীক গৌৰান্বিত কৰি তোলাৰ বিপৰীতে বিভিন্নজনে উজ্বল ভৱিষ্যতৰ কামনাৰে শুভেচ্ছা জনাইছে।

# তাইৱানকলৈ চীন-আমেৰিকাৰ সংঘাত

■ সত্যব্ৰত বৰা

আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পিট হেগছেথৰে ছিংগাপুৰত দিয়া বক্তৃতাৰ পিছতে চীনৰ বৈদেশিক মন্ত্ৰণালয়ে কঠোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। হেগছেথৰ মতে, চীনে তাইৱানৰ বিৰুদ্ধে সামৰিক ভাবুকিৰ সৃষ্টি কৰিছে আৰু এই ভাবুকি 'আসন্ন' হ'ব পাৰে। এই মন্তব্যৰ প্ৰতি চীনে কঠোৰ আপত্তি উত্থাপন কৰি কৈছে যে আমেৰিকাই তাইৱানৰ প্ৰশ্নত 'জুইৰ সৈতে খেলা' কৰা উচিত নহয়। চীনৰ বৈদেশিক মন্ত্ৰণালয়ে হেগছেথৰ মন্তব্যক তীব্ৰভাৱে নিন্দা কৰিছে। তাইৱানৰ চাৰিওফালে থকা ভূ-ৰাজনৈতিক উত্তেজনা আৰু চীন-আমেৰিকাৰ সম্পৰ্কৰ জটিলতাক পুনৰ পোহৰলৈ আনিছে এই ঘটনাই।

যোৱা ৩১ মে'ত ছিংগাপুৰত অনুষ্ঠিত শ্বাংগ্ৰী-লা ডায়লগত পিট হেগছেথে তেওঁৰ প্ৰথম বক্তৃতা প্ৰদান কৰে। এছিয়াৰ শীৰ্ষ নিৰাপত্তা ফ'ৰাম হিচাপে পৰিচিত এই সন্মিলনত বিশ্বৰ প্ৰতিৰক্ষা নেতা, সামৰিক বিষয়া, আৰু কূটনীতিবিদসকল একত্ৰিত হয়। হেগছেথৰে চীনক ইণ্ডো-পেচিফিক অঞ্চলত 'আসন্ন ভাবুকি' হিচাপে চিহ্নিত কৰিছে আৰু তাইৱানৰ বিৰুদ্ধে চীনৰ সামৰিক প্ৰস্তুতিৰ কথা উল্লেখ কৰিছে। তেওঁ কৈছে যে চীনৰ পিপলছ লিবাৰেচন আৰ্মীয়ে (PLA) তাইৱানৰ বিৰুদ্ধে সামৰিক কাৰ্যকলাপৰ বাবে প্ৰতিদিনে প্ৰশিক্ষণ লৈছে আৰু তাইৱান দখলৰ বাবে প্ৰকৃত প্ৰস্তুতি চলাইছে। তেওঁৰ মতে, চীনে তাইৱানৰ ওপৰত যদি বলপূৰ্বক আক্ৰমণ কৰে, তেন্তে ই ইণ্ডো-পেচিফিক অঞ্চলৰ লগতে সমগ্ৰ বিশ্বৰ বাবে 'ধ্বংসাত্মক পৰিণতি' কঢ়িয়াই আনিব। হেগছেথে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বক্তব্যৰ পুনৰাবৃত্তি কৰি কয় যে ট্ৰাম্পৰ কাৰ্যকালত চীনে তাইৱান আক্ৰমণ কৰিবলৈ সাহস নকৰিব। ইণ্ডো-পেচিফিকৰ মিত্ৰ ৰাষ্ট্ৰসমূহক নিজৰ প্ৰতিৰক্ষা ব্যয় বৃদ্ধি কৰি আমেৰিকাৰ সৈতে সহযোগিতা কৰাৰ আহ্বান জনায় হেগছেথৰে।

আনহাতে চীনৰ প্ৰতিক্ৰিয়া অতি তীব্ৰ আৰু তাৎক্ষণিক আছিল। চীনৰ বৈদেশিক মন্ত্ৰণালয়ে হেগছেথৰ মন্তব্যক 'নেতিবাচক' আৰু 'অগ্ৰহণযোগ্য' বুলি অভিহিত কৰে। মন্ত্ৰণালয়ৰ মতে তাইৱান হ'ল চীনৰ অভ্যন্তৰীণ বিষয় আৰু আমেৰিকাই এই বিষয়ত হস্তক্ষেপ কৰাৰ কোনো অধিকাৰ নাই। চীনে আমেৰিকাক সতৰ্ক কৰি কৈছে যে তাইৱানৰ বিষয়টোক চীনক দমন কৰাৰ 'চিপ' হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। তেওঁলোকে হেগছেথৰ বক্তৃতাক 'উচটনিমূলক' আৰু 'সংঘাত সৃষ্টিকাৰী' বুলি সমালোচনা কৰিছে। চীনৰ ছিংগাপুৰৰ দূতাবাসে ফেচবুকত এটা পোষ্টত কৈছে যে হেগছেথৰ বক্তৃতা 'চীনৰ বিৰুদ্ধে মিছা অভিযোগ'।

তাইৱানৰ প্ৰশ্ন চীন-আমেৰিকা সম্পৰ্কৰ এটা কেন্দ্ৰীয় আৰু স্পৰ্শকাতৰ বিষয়। চীনে তাইৱানক নিজৰ অখণ্ড ভূখণ্ডৰ অংশ হিচাপে দাবী কৰে আৰু ইয়াক 'বিচ্ছিন্ন প্ৰদেশ' বুলি গণ্য কৰে। তাইৱানৰ চৰকাৰে এই দাবী নাকচ কৰি কৈ আহিছে যে কেৱল তাইৱানৰ জনগণেহে তেওঁলোকৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব। হেগছেথে তেওঁৰ বক্তৃতাত উল্লেখ কৰে যে চীনে ২০২৭ চনৰ ভিতৰত তাইৱানৰ ওপৰত সামৰিক কাৰ্যকলাপৰ ক্ষমতা গঢ়ি তুলিবলৈ লক্ষ্য ৰাখিছে। তেওঁ চীনক দক্ষিণ চীন সাগৰত 'অবৈধভাৱে ভূমি দখল আৰু সামৰিকীকৰণ'ৰ অভিযোগো আৰোপ কৰে, যিটোক চীনে প্ৰত্যাখ্যান কৰি কয় যে এই অঞ্চলত নৌপথৰ কোনো সমস্যা নাই।

হেগছেথৰ বক্তৃতাৰ এটা মূল বিষয় আছিল ইণ্ডো-পেচিফিক অঞ্চলত আমেৰিকাৰ মিত্ৰ ৰাষ্ট্ৰসমূহৰ সৈতে সহযোগিতাৰ ওপৰত গুৰুত্ব দিয়াটো। তেওঁ জাপান, দক্ষিণ



কোৰিয়া আৰু তাইৱানৰ দৰে দেশসমূহক নিজৰ প্ৰতিৰক্ষা ব্যয় বৃদ্ধি কৰাৰ আহ্বান জনাইছে। আমেৰিকাৰ 'শান্তিৰ জৰিয়তে শক্তি' নীতিৰ জৰিয়তে এই অঞ্চলত শান্তি বজাই ৰখা সম্ভৱ। তেওঁ কৈছে যে আমেৰিকাই চীনৰ সৈতে সংঘাত বিচৰা নাই, কিন্তু ইয়াৰ মিত্ৰসকলক চীনৰ আক্ৰমণাত্মক নীতিৰ পৰা ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ ভাৰতৰ দৰে অংশীদাৰৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ কথাও উল্লেখ কৰে।

চীনৰ প্ৰতিনিধি দলৰ নেতা ৰিয়াৰ এডমিৰেল হু গাংফেংয়ে হেগছেথৰ মন্তব্যক 'ভিত্তিহীন অভিযোগ' বুলি খাৰিজ কৰে। তেওঁ আমেৰিকাক অস্থিৰতা আৰু সংঘাতক উদগনি দিয়া বুলি অভিযোগ কৰে। উল্লেখযোগ্য যে চীনৰ প্ৰতিৰক্ষা মন্ত্ৰী ডং জুনে এই সন্মিলনত নিজে অংশগ্ৰহণ নকৰি নিম্ন পদৰ বিষয়াৰে গঠিত এটা দল পঠিয়াইছিল, যাক কিছুমানে আমেৰিকাৰ প্ৰতি 'অৱজ্ঞা' হিচাপে চাইছে। চীনৰ এই পদক্ষেপে দুই দেশৰ মাজত সামৰিক নেতৃত্বৰ স্তৰত প্ৰত্যক্ষ আলোচনাৰ সুযোগ হ্ৰাস কৰিছে, যি এই উত্তেজনাপূৰ্ণ পৰিস্থিতিত আৰু জটিলতাৰ সৃষ্টি কৰিছে।

এই ঘটনাৰ প্ৰেক্ষাপটত তাইৱানৰ চাৰিওফালে চীনৰ সামৰিক কাৰ্যকলাপৰ তীব্ৰতা উল্লেখযোগ্য। চীনে শেহতীয়াকৈ তাইৱানৰ ওচৰত সামৰিক বাহিনী বৃদ্ধি কৰিছে। এই কাৰ্যকলাপক আমেৰিকাৰ বিষয়াসকলে তাইৱান আক্ৰমণৰ প্ৰস্তুতি হিচাপে দেখিছে। ইয়াৰ উপৰি দক্ষিণ চীন সাগৰত চীনৰ কাৰ্যকলাপে, যেনে ফিলিপাইনৰ সৈতে স্কাৰব'ৰ' শ্ব'লৰ বিষয়ে বিতৰ্কই অঞ্চলটোত উত্তেজনা বৃদ্ধি কৰিছে। চীনে এই অঞ্চলৰ নিজৰ বুলি দাবী কৰে, যদিও আন্তৰ্জাতিক আদালতে এই দাবীক অগ্ৰাহ্য কৰি আহিছে।

হেগছেথৰ বক্তৃতাৰ সুৰ আৰু বিষয়বস্তুৱে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আমেৰিকাৰ দলৰ কিছুমান সদস্য, যেনে ডেম'ক্ৰেটিক চিনেটৰ টেমী ডাকৱৰ্থে, তেওঁৰ ভাষাৰ সুৰক 'অপমানজনক' বুলি সমালোচনা কৰিছে। তেওঁৰ মতে, মিত্ৰ ৰাষ্ট্ৰসমূহৰ সৈতে সহযোগিতাৰ কথা ক'লেও হেগছেথৰ ভাষাৰ ধৰণে সহযোগিতাৰ পৰিৱেশৰ ক্ষতি কৰিব পাৰে। আনহাতে, ৰিপাব্লিকান প্ৰতিনিধি ব্ৰায়ান মাষ্ট আৰু জন মুলেনাৰে কৈছে যে হেগছেথৰ বক্তৃতাই চীনৰ হুমকিৰ বিষয়ে স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে আৰু এছিয়াৰ বহু দেশে ইয়াক ইতিবাচকভাৱে গ্ৰহণ কৰিছে।

এই ঘটনাই তাইৱান চাৰিওফালে থকা ভূ-ৰাজনৈতিক গতিশীলতাৰ জটিলতাক পোহৰলৈ আনিছে। চীনৰ দৃষ্টিকোণৰ পৰা তাইৱানৰ প্ৰশ্ন তেওঁলোকৰ জাতীয় সাৰ্বভৌমত্বৰ মূল বিষয়। আমেৰিকাৰ বাবে ইণ্ডো-পেচিফিক অঞ্চলত মুক্ত আৰু নিৰাপদ বাণিজ্য পথ বজাই ৰখাৰ লগতে মিত্ৰ ৰাষ্ট্ৰসমূহৰ নিৰাপত্তা নিশ্চিত কৰাটো অগ্ৰাধিকাৰ দিয়াটো মূল বিষয়। হেগছেথৰ বক্তৃতাই ট্ৰাম্প প্ৰশাসনৰ 'আমেৰিকা ফাৰ্ষ্ট' নীতিৰ প্ৰতিফলন ঘটাইছে, য'ত চীনক প্ৰতিহত কৰাৰ বাবে এক শক্তিশালী সামৰিক আৰু কূটনৈতিক কৌশলৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

এই পৰিস্থিতিৰ সম্ভাব্য প্ৰভাৱ বিশ্বৰ বাবে তাৎপৰ্যপূৰ্ণ। তাইৱানত হোৱা যিকোনো সংঘাতে কেৱল ইণ্ডো-পেচিফিক অঞ্চলৰ নিৰাপত্তাই নহয়, বৰঞ্চ বিশ্বৰ অৰ্থনীতি আৰু স্থিৰতাৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাব পাৰে। তাইৱানে বিশ্বৰ আগশাৰীৰ ছেমিকণ্ডাক্টৰ উৎপাদক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু এই অঞ্চলত যুদ্ধৰ ফলত বিশ্বৰ সৰবৰাহ শৃংখলা বিঘ্নিত হ'ব পাৰে। চীন আৰু আমেৰিকাৰ মাজৰ উত্তেজনা হ্ৰাসৰ বাবে কূটনৈতিক আলোচনাৰ প্ৰয়োজনীয়তা এই ঘটনাই পুনৰ স্মৰণ কৰাই দিছে।

হেগছেথৰ মন্তব্য আৰু চীনৰ প্ৰতিক্ৰিয়াই সমগ্ৰ বিশ্বৰ দৃষ্টি তাইৱানৰ প্ৰশ্নৰ ওপৰত কেন্দ্ৰীভূত কৰিছে। এই পৰিস্থিতিয়ে বিশ্বৰ দুই শক্তিশালী ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কৰ ভংগুৰতা আৰু ইণ্ডো-পেচিফিক অঞ্চলত শান্তি বজাই ৰখাৰ প্ৰত্যাহ্বানক উজ্বল কৰি তুলিছে। যিহেতু দুই পক্ষই নিজৰ অৱস্থানত অটল সেয়েহে ভৱিষ্যতে কূটনৈতিক প্ৰচেষ্টাৰ জৰিয়তে এই উত্তেজনা হ্ৰাসৰ সম্ভাৱনা অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে।

# হৃদয়াৱেগৰ পলক

■ প্ৰাণ প্ৰতিমা বড়া
গুৱাহাটী

দুপৰীয়া ভাতকেইটা খাই পেলেঙী আইতাই খুন্দাটোত তামোল দুটুকুৰামান খুন্দি খুন্দি তাহানি দিনৰ কথা ভাবি ধেকধেকাই হাঁহিলে। কাষতে থকা নাতিনী অকণিয়ে কাষলৈ আহি মাত লগালে —

'আইতা অ' কিয় হাঁহি আছ' তই?'

'আগৰ দিনৰ কথা এটা ভাবি আছিলোঁ অ।'

'মোক ক'চোন কি ভাবি আছিলি আইতা?'

আইতাকে হাঁহি হাঁহিয়েই নাতিনীয়েক অকণিৰ আগত পাতনি মেলিলে এৰি অহা দিনৰ এক জমনিৰ অধ্যায়।

'জীৱনটোত বৰ কষ্টেৰে পাৰ কৰিলোঁ বুজিছ' মাজনী। তোৰ দেউতাৰে, দদায়েৰে সৰু থাকোঁতে মই কমখন কষ্ট কৰিলোঁ নে? এৰি সূতা আঙুলিয়ে কাটি কাটি এৰি চাদৰ বৈ সেইবোৰ বিক্ৰী কৰি ইহঁতৰ স্কুলৰ খৰচ দিওঁ বুজিছ' মাজনি। মানে এই আঙুলিটো দেখিছ'নে (তৰ্জনী আঙুলি) কেনেকৈ চিঞা হৈ পৰিল?'

'হয় আইতা, তোৰ আঙুলিটো দেখোন সৰু হৈ গ'ল একেবাৰে। পিছে তই দুখৰ দিনৰ কথা কওঁতে হাঁহি আছ' যে আইতা।'

'সেইদিনবোৰত হাঁহি থকা নাছিলোঁ। বহুত কান্দিছিলোঁ তেতিয়া। কিন্তু এতিয়া আৰু সেই দিন নাই অ' মাজনী। মোৰ কষ্টৰ সাৰ্থক হ'ল বুজিছ'। তোৰ দেউতা, তোৰ মাৰে আৰু তোৰ দদায়েৰে এতিয়া মাষ্টৰ হ'ল। মোৰ দুখৰ দিনৰ ওৰ পৰিল। সিহঁতে মোক এতিয়া সুখত ৰাখিছে বাবে মই হাঁহি আছোঁ।'

'পিছে আইতা তই কিবা জমনিৰ কথা কম বুলি কৈছিলি যে?'

'ক'ম ক'ম, আগতে ধুনীয়াকৈ তামোলখিনি খাই লওঁ ৰহ।'

পেলেঙী আইতাই বৰ সুন্দৰকৈ তামোলখিনি পকতীয়াই পকতীয়াই মুখত ৰসাল হাঁহি এটি আঁকি নাতিনীয়েকক এৰি অহা দিনৰ অতীতৰ অধ্যায়ৰ পাতনি মেলিলে —

'বুজিছ' আইজনী, আগৰ দিনত কথাই সুকীয়া আছিল অ'। এদিনাখন আমাৰ গাঁৱৰ বাপুকণে অজাতিৰ ছোৱালী এজনী পলুৱাই আনিলে। গাঁওখনতে হাঁহাকাৰ লাগিল। মানুহৰ মুখে-মুখে হৈ -হাল্লা হ'ল বোলে বাপুকণে অজাতিৰ ছোৱালী আনি ঘৰ সোমোৱালেহি। গাঁৱৰ মুখিয়াল সৰুপোণা কাইটিৰ লগতে গাঁৱৰ সকলো মানুহে বাপুকণৰ চোতাল নধৰা হ'ল বুজিছ'। বাপুকণৰ মাক-বাপেকৰ মুখলৈ চাব নোৱাৰা অৱস্থা এটা হ'ল। সিহঁতৰ ঘৰখনক গাঁৱৰ সমাজে এঘৰীয়া কৰিলে। গাঁৱৰ হুলস্থুল মাৰ যাবলৈ নাপালেই এদিনাখন দুপৰীয়া আমাৰ ঘৰতো গাঁৱৰ মানুহেৰে চোতাল নধৰা অৱস্থা এটা হ'ল। মোৰ বুকুখন ভয়তে ধান বনাদি বানিবলৈ ধৰিলে। সকলোৰে মুখত এটাই কথা— 'বৰপোণাৰ মানে (তোৰ বৰদেউতাৰ) খবৰটো পাই আহিলোঁ।'

মই একো কথাৰে আওভাও নোপোৱা মানুহ। শিক্ষা- দীক্ষা মুঠেই নাই। একো কথা বুজিব নোৱাৰি মই ভিতৰলৈ সোমাই গৈ দেখিলোঁ বৰপোনাই নিজৰ কোঠাত সোমাই কিবা কাগজপত্ৰ চাই আছিল। মোৰ বুকুখন ভয়তে কঁপিবলৈ ধৰিলে। তাৰ অজলা মুখখন দেখিও মই একো তলকিব নোৱাৰি তাৰ কাষ চাপি তাক দুটা চৰ সোধালোঁ। মই মনতে ভাবিলোঁ সি বাপুকণৰ দৰে কিবা এটা অঘটন ঘটালে যাৰ বাবে আমাৰ চোতাল গাঁৱৰ মানুহেৰে নধৰা হৈ আছিল। বাপুকণৰ মুখৰ অৱস্থা একেবাৰে চাব নোৱাৰা হৈছিল একেবাৰে। সি একেবাৰে ৰঙা-নীলা পৰিল। সি মোক আচল কথাটো যেতিয়া বুজাই দিলে মই যিহে লাজ পালোঁ তোক কেনেকৈ বুজাম আৰু?'

'পিছে কথাটোনো কি আইতা— বৰদেউতাক তই কিয় মাৰিলি ক'চোন — গাঁৱৰ মানুহবোৰ কিয় আহিছিল আমাৰ ঘৰলৈ আইতা?'

'আচল কথাটো কি জান' মাজনী তোৰ বৰদেউতাই জিলাৰ ভিতৰতে মেট্ৰিক পৰীক্ষাত প্ৰথম হৈ পাছ কৰিছিল অ'। তোৰ বৰদেউতাই গাঁৱখনলৈ সন্মান কঢ়িয়াই আনিছিল বাবে গাঁৱৰ ৰাইজে আমাৰ ঘৰলৈ আহিছিল। মই বুৰ্বকজনীয়ে একো বুজিব নোৱাৰি বৰপোনাক চৰহে সোধালোঁ বুজিছ'।'

নাতিনীয়েকক কথাখিনি কৈ কৈ পেলেঙী আইতাই ঢেকঢেকাই হাঁহি দিলে।

ম'বাইল ঃ ৭৩৯৯৯-২৪৬৫৮

# উদ্যমী যুৱতী ছাবিনা তালুকদাৰ আৰু তালুকদাৰ চাট হাউচ

## পৰম্পৰাৰ মাজত আধুনিকতাৰ এক সফল সংমিশ্ৰণ




গুৱাহাটী মহানগৰত সুপ্ৰসিদ্ধ নামেৰে জনাজাত তালুকদাৰ চাট হাউচ, যাৰ প্ৰথম শাখা ১৯৯৭ চনৰ ১৪ জুলাইত বিহাবাৰীস্থিত নেপালী মন্দিৰৰ ওচৰত মুকলি হৈছিল। পৰিয়ালিকভাৱে চলি অহা এই খাদ্য উদ্যোগটিয়ে বৰ্তমান গুৱাহাটীৰ বিভিন্ন প্ৰান্তত শাখা বিস্তাৰ কৰি জনসাধাৰণৰ মাজত এটা বিশ্বাসযোগ্যতা গঢ়ি তুলিছে।

এই পৰম্পৰাগত উদ্যোগৰ এক নতুন উজ্জ্বল মুখ হ'ল ছাবিনা তালুকদাৰ - তালুকদাৰ চাট হাউচ জ্যোতিকুচি শাখাৰ মালিক আৰু নতুন প্ৰজন্মৰ প্ৰতিনিধি। এই শাখাটো তুলনামূলকভাৱে নতুন - কেৱল এটা বছৰ আগতেই খোলা হৈছে লখবাৰ শংকৰ ধাবাৰ সন্মুখত কিন্তু অলপ সময়তেই ই লোকপ্ৰিয়তা লাভ কৰিছে।

ছাবিনা বৰ্তমানে বি.বি.এ. পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা অৱস্থাতেই এই ব্যৱসায়ত নামি পৰে। তেখেতক পিতৃ চামেদ আলী তালুকদাৰৰ অনুপ্ৰেৰণাই খাদ্য উদ্যোগলৈ টানি আনে। আজিও তেওঁ নিজৰ পৰিশ্ৰম আৰু মনোবলৰ জৰিয়তে তালুকদাৰ চাট হাউচৰ এই শাখাটো আগবঢ়াই লৈ গৈছে।

**নাৰী শক্তিৰ দৃষ্টান্ত**

ছাবিনাৰ কাহিনী কেৱল এখন খাদ্য দোকান খোলাৰ পৰিসীমাত সীমাবদ্ধ নহয়। তেওঁ আধুনিক শিক্ষাৰ সৈতে পৰম্পৰাগত ব্যৱসায়ক সংহত কৰি, সমাজত এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে - 'নাৰীয়ে ব্যৱসায়ৰ আগভাগত থাকিব পাৰে, আৰু সফলতা অৰ্জন কৰিব পাৰে' বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ দৰে এলেকাত, য'ত নাৰীসকলৰ ব্যৱসায়ত অংশগ্ৰহণ তুলনামূলকভাৱে কম, ছাবিনাৰ দৰে যুৱতীসকলে নতুন প্ৰজন্মৰ বাবে আদৰ্শ স্থাপন কৰিছে।

**সমাজত প্ৰভাৱ**

তালুকদাৰ চাট হাউচ জ্যোতিকুচি কেৱল এটা খাদ্য পইণ্টেই নহয় - ই স্থানীয় ৰাইজৰ বাবে এক মিলনৰ স্থান, য'ত সুস্বাদু খাদ্যৰ সৈতে হৃদয়তা বিকাশ পায়। এই চাট হাউচে বহু স্থানীয় যুৱক-যুৱতীক সাময়িক আৰু স্থায়ী কাৰ্যসন্ধান আগবঢ়াইছে, যাৰ ফলত ৰোজগাৰৰ সুযোগ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, খাদ্য সামগ্ৰীৰ দামে সাধাৰণ ৰাইজৰ আয়ৰ লগত সঙ্গতিপূৰ্ণ, যাৰ বাবে ই সমাজৰ সকলো স্তৰৰ মানুহে ভোক নোৰাৰা সময়ত সহায় পায়।

**বৈচিত্ৰ্যপূৰ্ণ মেনু, স্থানীয় ৰুচিৰ সংমিশ্ৰণ**

জ্যোতিকুচি শাখাৰ খাদ্য তালিকাখন সুস্বাদ্য আৰু বৈচিত্ৰ্যপূৰ্ণ - চপ, চিকেন ৰোল, মোমো, চিলি চিকেন, ফ্ৰাইড ৰাইচ, চাউমিনৰ দৰে পদেৰে ভৰপূৰ। প্ৰতিটো খাদ্য স্থানীয় ৰুচিৰ লগত মিলাই প্ৰস্তুত কৰা হয়, যাৰ বাবে ই অঞ্চলটোৰ ৰাজহুৱা খাদ্য সংস্কৃতিত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

**উপসংহাৰ ঃ**

ছাবিনা তালুকদাৰৰ নেতৃত্বত তালুকদাৰ চাট হাউচ জ্যোতিকুচি শাখাই আজিৰ সমাজত নাৰী নেতৃত্ব, আত্মনিৰ্ভৰশীলতা আৰু পৰম্পৰাগত উদ্যোগক আধুনিক চেতনাৰে আগবঢ়োৱাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰিছে। এনে প্ৰচেষ্টাই আগামী দিনত অধিক সংখ্যক যুৱতীক উৎসাহিত কৰিব, যেন তেওঁলোকে নিজৰ সপোন পূৰণৰ সাহস আহৰণ কৰে।

# শিক্ষাবিদ প্ৰফুল্ল চন্দ্ৰ বৰাৰ বিয়োগত মাজুলী মহাবিদ্যালয়ত শোকসভা



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী কমলাবাৰী বিষ্ণুপুৰ গাঁৱৰ নিবাসী, এগৰাকী দিগগজ শিক্ষাবিদ, মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক, সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থা মাজুলী জিলা সমিতিৰ প্ৰাক্তন সভাপতি, বিভিন্ন সামাজিক অনুষ্ঠানেৰে জড়িত সৰ্বজনপ্ৰিয় ব্যক্তি, মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সন্মানীয় সদস্য, দক্ষ প্ৰশাসক, সমাজ সংগঠক প্ৰফুল্ল চন্দ্ৰ বৰাৰ বিয়োগত মাজুলী মহাবিদ্যালয়ত এখনি শোকসভা অনুষ্ঠিত হয়। নিৰ্ভীক, স্পষ্টবাদী তথা আপোচবিহীন ব্যক্তিগৰাকীৰ বিয়োগৰ বাতৰি পাই তেখেতৰ বাসগৃহত গৈ মহাবিদ্যালয়ৰ হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছতে মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা শোকসভাত সভাপতিত্ব কৰে শিক্ষাবিদগৰাকীৰ একালৰ ছাত্ৰ তথা মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই আঁত ধৰা সভাখনিত শিক্ষাবিদগৰাকীৰ ব্যক্তিত্ব সম্পৰ্কে বক্তব্য আগবঢ়াই ডঃ দেৱজিৎ শইকীয়াই কয়, 'কাহানিও নীতিৰ ক্ষেত্ৰত আপোচ কৰিব নোখোজা আদৰ্শ শিক্ষাগুৰু প্ৰফুল্ল চন্দ্ৰ বৰাদেৱ কেৱল শ্ৰেণীকোঠাৰ ভিতৰতে শিক্ষক নাছিল, শিক্ষাৰ্থীক জীৱনবোধ আৰু নৈতিকতাৰ শিক্ষা দিয়াৰ গুণত তেখেত আছিল এগৰাকী সঁচা অৰ্থত জীৱনৰ শিক্ষক।' তেখেতৰ বিয়োগত মাজুলীৰ বৌদ্ধিক পৰিমণ্ডলত অপূৰণীয় ৰিক্তস্থানৰ সৃষ্টি হ'ল বুলিও অধ্যক্ষজনে উল্লেখ কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অধ্যাপক তুলসী ৰাজখোৱা, বসন্ত বৰা, দেৱজ্যোতি খাটনিয়াৰ, ড° প্ৰফুল্ল বৰা, দীনেশ পেগু, ড° জয়া কলিতা গগৈ, ড° পল্লৱী দুৱৰা, আচাৰ্য মোহন দাস, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী-শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত সভাখনিত প্ৰয়াত শিক্ষাবিদগৰাকীৰ বিদেহ আত্মাৰ সদগতিৰ বাবে মৌন প্ৰাৰ্থনা জনাই শোকপ্ৰস্তাৱ গ্ৰহণ কৰে।

# ইউনিটি মলৰ নিৰ্মাণ কাৰ্য্য পৰিদৰ্শন উদ্যোগ মন্ত্ৰী বিমল বড়াৰ

## ছেপ্টেম্বৰত নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা, ৰাজ্যৰ উৎপাদিত সামগ্ৰীয়ে উন্নত বজাৰ লাভৰ সম্ভাৱনা



**গুৱাহাটী ঃ** ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই মহানগৰীৰ বেতকুছিত নিৰ্মীয়মান ইউনিটি মল (একতা মল) পৰিদৰ্শন কৰে। অসমত উৎপাদিত সামগ্ৰীসমূহক এক উপযুক্ত বজাৰ প্ৰদানৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰৰ পিছফালে ২৯৭ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য প্ৰায় ৭৫ শতাংশ সম্পূৰ্ণ হৈছে। এই প্ৰকল্পটোৰ চাৰিমহলীয়া মূল গৃহটোৰ নিৰ্মাণত নিৰ্দ্ধাৰিত ব্যয়ৰ পৰিমাণ হৈছে ২৭৫.৯৫ কোটি টকা। ৩২১৫৯ বৰ্গমিটাৰ স্থানত নিৰ্মাণ কৰা ইউনিটি মলৰ গৃহটোত বেছমেণ্ট আৰু ভূমি মহলাৰ লগতে চাৰিটা মহলা আছে। ইয়াৰে প্ৰথম মহলাত ৩৬টা বাণিজ্যিক বিপণী, দ্বিতীয় মহলাত ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ প্ৰতিনিধিত্ব কৰা ৩৬খন বিপণী, তৃতীয় মহলাত অসমৰ ৩৫খন জিলাক প্ৰতিনিধিত্ব কৰা এখন জিলা এক সামগ্ৰী বিক্ৰীৰ বাবে ৩৫বিপণীৰ লগতে চতুৰ্থ মহলাত এখন ফুড কৰ্টৰ ব্যৱস্থা ৰখা হৈছে। এন চি চি লিমিটেড শীৰ্ষক প্ৰতিষ্ঠান এটিয়ে বিগত বৰ্ষৰ জুন মাহৰ পৰা নিৰ্মাণ কাৰ্য আৰম্ভ কৰা এই প্ৰকল্পটো চলিত বৰ্ষৰ ছেপ্টেম্বৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। সকলো ঠিকে ঠাকে হৈ উঠিলে ডিচেম্বৰত ৰাইজৰ বাবে ইউনিটি মলটো সমৰ্পণ কৰাৰ আশা আছে বুলি উদ্যোগ মন্ত্ৰী বিমল বড়াই নিৰ্মাণ স্থলীত সাংবাদিকৰ আগত প্ৰকাশ কৰে। মলটো পৰিদৰ্শন কালত প্ৰতিটো মহলালৈ গৈ নিৰ্মাণ কাৰ্যৰ বুজ লোৱাৰ লগতে মন্ত্ৰী বড়াই নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ বিষয়াসকলৰ সৈতেও মত বিনিময় কৰে। মলটোত থাকিবলগীয়া সা সুবিধা সমূহৰ বিষয়েও তেওঁ অৱগত হয়। এই পৰিদৰ্শন কালত উদ্যোগ বিভাগৰ যুটীয়া সচিব তথা মন্ত্ৰী গৰাকীৰ বিশেষ কৰ্তব্য বিষয়া ৰাজীৱ থাপা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ কেবাগৰাকীও বিষয়াৰ লগতে নিৰ্মাণ কাৰ্যৰ তদাৰক কৰা লোক নিৰ্মাণ বিভাগৰ বিষয়া সকলে মন্ত্ৰী বড়াক সংগ দিয়ে। উল্লেখ্য যে মলটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যৰ থলুৱা কৃষি উৎপাদক, হস্তত াঁত সামগ্ৰীৰ শিল্পীসকলে সামগ্ৰী সমূহৰ বিপণনৰ বাবে এক বিশেষ বজাৰ লাভ কৰিব।

# উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩৫০ ৰো অধিক শিক্ষাৰ্থীক উষ্ম অভিনন্দন ও সম্বৰ্ধনা জ্ঞাপন




**চন্দন শৰ্মা, তেজপুৰ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু তিনিচুকীয়া শাখা সমিতিৰ সহযোগত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ প্ৰেক্ষাগৃহত শনিবাৰে অনুষ্ঠিত হোৱা ২০২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃহত্তৰ চাহ জনগোষ্ঠীৰ সমাজলৈ গৌৰৱ কঢ়িয়াই অনা তিনিশ পঞ্চাশৰো অধিক ছাত্ৰ-ছাত্ৰীক উষ্ম অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে অতি সুন্দৰ আৰু শৃংখলাবদ্ধতাৰে অনুষ্ঠিত কৰা কেৰিয়াৰ কাউঞ্চিলিং অনুষ্ঠানটোত গুৱাহাটী নিবাসী তথা মহেন্দ্ৰা এডোকেচনেল প্ৰাইভেট লিমিটেডৰ সদস্যা কৰ্ণিকা ডেকাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক গুৰুত্বপূৰ্ণ কেৰিয়াৰ গঢ়াৰ দিশত যাৱতীয় দিহা পৰামৰ্শ আগবঢ়াও পৰিলক্ষিত হয়। লগতে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ লগতে উজ্বল ভৱিষ্যত কামনা কৰে। এই বিশেষ সম্বৰ্ধনা অনুষ্ঠানত অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণ ডাঙৰীয়া, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা মালবিকা ভুএগ্ৰা, আটছাৰ কেন্দ্ৰীয় সমিতিৰ কেইবাগৰাকী বিষয়ববীয়াকে প্ৰমুখ্যে কৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত আছিল। এই বিশেষ অভিনন্দন অনুষ্ঠানভাগ সাফল্যমণ্ডিত কৰাত আমন্ত্ৰণ জনোৱা অতিথিসকলে আটছাৰ তিনিচুকীয়া জিলা সমিতিৰ সকলো বিষয়ববীয়ালৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ৰামপুৰ বগীবিলত মুখ্যমন্ত্ৰী উদ্যমিতা আঁচনিৰ প্ৰশিক্ষণ




**বুলমণি বৰি, লখিমপুৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যৰ উদ্যমী মহিলাসকলক আৰ্থিক সাহায্য প্ৰদানৰ উদ্দেশ্যেৰে যি মুখ্যমন্ত্ৰী উদ্যমিতা আঁচনি প্ৰস্তুত কৰিছে এই আচঁনিখনত নাম সন্নিৰিষ্ট হৈছে লখিমপুৰ জিলাৰ নাওবৈচা উন্নয়ন খণ্ড অধীনৰ ৰামপুৰ বগীবিল গাঁও পঞ্চায়তৰ প্ৰায় ১২০০ গৰাকী উদ্যমী মহিলাৰ নাম। এই ১২০০ গৰাকী মহিলাৰ বাবে ইতিমধ্যে যোৱা ১৮ মে' ২০২৫ ৰ পৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, ৰামধেনু মণ্ডল পৰ্যায়ৰ সহযোগত প্ৰশিক্ষণ অনুষ্ঠিত হৈছে ৰামপুৰ বগীবিল গাঁও পঞ্চায়তৰ বিভিন্ন ঠাইত। এটা গ্ৰুপত প্ৰশিক্ষণ লৈছে ৩০ পৰা ৫০ গৰাকী মহিলাই। এই প্ৰশিক্ষণ কাৰ্য ১৭ জুন ২০২৫ লৈকে চলি থাকিব বুলি জনায় ৰামপুৰ বগীবিল গাঁও পঞ্চায়তৰ জীৱিকা সখী মমতাজ বেগমে। প্ৰশিক্ষাৰ্থীসকলক পহু সখী কুসুম সোণোৱালে মহিলা সবলীকৰণৰ ধ্বজা বাহী আঁচনিখনৰ বিষয়ে বিতংকৈ বুজাই দিয়ে। প্ৰথম বছৰত প্ৰাৰম্ভিক মূলধন হিচাপে ১০,০০০ টকা উদ্যমিতা পুঁজি লাভ কৰাৰ লগতে ব্যৱসায়ত উন্নতি দেখুৱালে পৰৱৰ্তী বছৰত পুনৰ ১২,৫০০ টকা চৰকাৰৰ ফালৰ পৰা এককালীন সাহায্য, আৰু বেংকৰ পৰা ১২,৫০০ টকা ঋণ পোৱাৰ কথা অৱগত কৰে। নৱমিলন গ্ৰাম্য সংগঠনৰ সম্পাদীকা আইছা ছিদ্দিকাই অমৃত বৃক্ষ আন্দোলনৰ অধীনত ৰোপণ কৰা গছপুলি দুজোপা আদৰ যত্নৰে জীয়াই ৰাখিবৰ বাবে প্ৰশিক্ষাৰ্থীসকলক অনুৰোধ জনায়। প্ৰশিক্ষণ গ্ৰহণ কৰি প্ৰশিক্ষাৰ্থীসকলে মুখ্য মন্ত্ৰী উদ্যমিতা আঁচনিৰ জৰিয়তে নিজকে স্বাৱলম্বী কৰি গঢ়ি তুলিব বুলি আত্মপ্ৰকাশ কৰে।

# সাংস্কৃতিকনগৰী তেজপুৰত ডি পিক'ক ৰাণৱে শ্ব'ৰ চিজন থ্ৰিৰ বৃহৎ আয়োজন

**চন্দন শৰ্মা, তেজপুৰ ঃ** সাংস্কৃতিকনগৰী তেজপুৰত জোনাক প'ল ইনটিয়েটিভৰ উদ্যোগত ডি পিক'ক ৰাণৱে শ্ব'ৰ চিজন থ্ৰিৰ বৃহৎ আয়োজন। তেজপুৰৰ যুৱ চিত্ৰশিল্পী হিচাপে পৰিচিত জোনাক প'লে বিগত সময়ছোৱাত বহুকেইটা বৃহৎ সৌন্দৰ্য্য প্ৰতিযোগিতাৰ অনুষ্ঠান সম্পন্ন কৰা পৰিলক্ষিত হৈছে। বিগত বৰ্ষৰ দৰে এই বৰ্ষৰ জুলাই মাহৰ ২৪ আৰু ২৬ তাৰিখ তথা বৃহস্পতি, শুকুৰ আৰু শনিবাৰে তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পৰম্পৰাগত জাতীয় সাজপাৰৰ লগতে ৱেষ্টাৰ্ন সৌন্দৰ্য্যৰ ৰাণৱে শ্ব'ৰ চিজন থ্ৰীৰ বৃহৎ আয়োজন কৰিছে। গতিকে ইচ্ছুক যুৱক - যুৱতীয়ে ৭৬৩৮৮-৪৪৪৭০ আৰু ৯৩৯৪৯-০৭৫২১ নম্বৰত ফোন যোগে যোগাযোগ কৰি আগতীয়াকৈ নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

# এক তিক্ত বাস্তৱতা

**■ আচিক আহমেদ**

সংগ্ৰাম কৰি থকা সময়ত লগত দিয়া মানুহৰ তেনেই অভাৱ; কিন্তু নিজৰ স্বাৰ্থ পূৰণৰ বাবে সফল ব্যক্তিৰ হাতখন বিচৰা মানুহৰ অভাৱ নাই। এই পৃথিৱীখনত দহজনৰ পৰা উপদেশ বিচাৰিলে দহটাই উপদেশ পাব কিন্তু দহজনৰ পৰা সহায় বিচাৰে আপুনি কেতিয়াও দহটা সহায় নাপায়, যেন- উপদেশৰ দাম বৰ সস্তীয়া কিন্তু আৱেগৰহে কোনো মূল্য নাই, য'ত আজিৰ মানুহে নিজৰ মতলবকহে বেছি প্ৰাধন্য দিয়ে। ব্যক্তি কেন্দ্ৰিক শিথিলতাৰ ফলতেই আজিৰ সমাজত এচাম মানুহৰ স্বাৰ্থ পূৰণত সহায়ক হৈছে, আনহাতে তথাকথিত সাম্প্ৰতিক সময়ৰ অধিকাংশ মানুহেই বস্তুৰ দৰে আৱেগহীন হৈ ব্যস্ততাৰ অজুহাতেৰে আনৰ অনুভৱক বুজাৰ মানসিকতা যেন অকণো নাই, য'ত এতিয়া অসহায়হীন মানুহক সহজে অৱহেলা কৰি পেলাই থ'বলৈ অকণো কুণ্ঠাবোধ নকৰে, যেন- মানুহ মানুহ আছে নাই মানৱতা। শুনিবলৈ অপ্ৰিয় সত্য মানুহ মুখত সিমানেই মিঠা নহওঁক কিয় বাস্তৱত অধিকাংশ মানুহে আমাৰ উন্নতি হোৱাটো কামনা নকৰে, য'ত আমি পিছ পৰি থকাটো চাবলৈ বিচাৰে কিয়নো এই মিঠা মুখৰ আঁৰত থাকে ঈৰ্ষাৰ বিষ।

এই পৃথিৱীত আৱেগৰ দাম সঁচাকৈয়ে বৰ সস্তীয়া আৰু সমাজখনেই বৰ অদ্ভুত, য'ত অসফল হ'লে হাঁহে আৰু উন্নতি দেখিলে জ্বলে। জীৱ শ্ৰেষ্ঠ বুলি কোৱা এই মানুহ প্ৰাণীটো ভাবিব নোৱাৰা আচৰিত ধৰণৰ প্ৰাণী যে- পেটত এটা কথা আৰু মুখত আন এটা কথা, সুবিধা আৰু বিশ্বাসঘাতকতা মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। নিজৰ স্বাৰ্থৰ বাবেই মানুহ কিমান কি কৰিব পাৰে সেয়া কল্পনাই কৰিব নোৱাৰি। মানুহ কেৱল স্বাৰ্থপৰ নহয় বৰঞ্চ হিংসাচৰ প্ৰাণীও, প্ৰকৃততেই আপুনি মই বসবাস কৰি থকা এই সমাজখনৰ মানুহবোৰৰ তিক্ততাবোৰৰ বাবেই আমি কেতিয়াবা সলনি হ'বলৈ বাধ্য হৈ পৰোঁ কিন্তু মানুহে কয় মানুহ সময়ৰ লগে লগে সলনি হয়, আঁচলতে মানুহ সলনি নহয় মানুহ কিছু পৰিস্থিতিয়ে সলনি কৰিবলৈ মজবুৰ কৰি তোলে।

ম'বাইল ঃ ৯৩৬৫৮-৬৫০৮২

# গুৱাহাটী ৰে'ল ষ্টেচনত পৰ্যটন তথ্য কেন্দ্ৰ উদ্বোধন কৰিলে ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে



**দিছপুৰ ঃ** ৰাজ্য চৰকাৰৰ পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে গুৱাহাটী ৰে'ল ষ্টেচনত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ দ্বাৰা স্থাপন কৰা পৰ্যটন তথ্য কেন্দ্ৰৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি ইয়াৰ সেৱা আৰম্ভ কৰে। উল্লেখযোগ্য যে অসমলৈ অহা পৰ্যটকসকলক ভ্ৰমণ সম্বন্ধীয় তথ্য উপলব্ধকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে মুখ্য আগমণৰ স্থান (key points of arrival) গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ, কামাখ্যা তথা গুৱাহাটী ৰে'ল ষ্টেচনত এনে পৰ্যটন তথ্য কেন্দ্ৰৰ সেৱা প্ৰদান কৰি আছে যাতে বাহিৰৰ পৰা অহা পৰ্যটকসকলে পৰ্যটনৰ উল্লেখযোগ্য স্থানকে ধৰি আতিথ্য তথা অন্যান্য তথ্য সমূহ লাভ কৰিব পাৰে। উদ্বোধন কৰা পৰ্যটন তথ্য কেন্দ্ৰটোৱে পৰ্যটক পদাৰ্পণ কৰা এক মুখ্য স্থান হিচাপে পৰিগণিত গুৱাহাটী ৰে'ল ষ্টেচনত পৰ্যটক সকলৰ বাবে প্ৰয়োজনীয় তথ্য প্ৰদানত বিশেষভাৱে সহায় কৰিব। ইয়াত উপলব্ধ প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰী, পৰ্যটন সম্বন্ধীয় পুস্তিকা, পৰ্যটন মানচিত্ৰ, অদ্যবধিকৰণকৃত ভ্ৰমণ সম্বন্ধীয় তথ্য, আতিথ্য খণ্ডৰ তথ্য ইত্যাদি প্ৰদানেৰে পৰ্যটকসকলক উপকৃত কৰিব। পৰ্যটন তথ্য কেন্দ্ৰটো মুকলি কৰি পৰ্যটন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰে'ল যোগে অসম ভ্ৰমণলৈ অহা বাহিৰৰ পৰ্যটক সকলক এই কেন্দ্ৰই সময় সাপেক্ষ তথ্য প্ৰদান কৰি সেৱা আগবঢ়াব পাৰিব বুলি কয়। ৰাজ্যখনৰ পৰ্যটনৰ ক্ষেত্ৰখনৰ উত্তৰণৰ দিশত এই পদক্ষেপে বিশেষ অৰিহণা যোগাব পাৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰী গৰাকীয়ে লগতে এই কেন্দ্ৰটোত নিয়োজিত বিষয়া-কৰ্মচাৰীক নিয়মীয়া আৰু উৎসৰ্গিত সেৱা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলীপ দাস, পৰ্যটন বিভাগৰ আয়ুক্ত প্ৰভাতী থাউচেন, সঞ্চালক ৰণোজ কুমাৰ বৰকটকীকে ধৰি অন্যান্য বিষয়াসকল উপস্থিত থাকে।

# শিৱসাগৰ জিলাৰ মামল মিৰি গাঁৱত ভাগি পৰিল 'ব্ৰহ্মপুত্ৰ চুইচ গেট'



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত জগৰাহাবি মামল মিৰি গাঁৱত অৱস্থিত জলসম্পদ বিভাগৰ 'ব্ৰহ্মপুত্ৰ চুইচ গেট'ৰ এটা অংশ হঠাৎ ভাগি পৰে। এই চুইচ গেটৰ মেৰামতি বৰ্তমানলৈকে অতি ক্ষিপ্ৰতাৰে চলি আছে। এই ক্ষেত্ৰত শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াকে প্ৰমুখ্য কৰি ক্ষেত্ৰ বিষয়া আৰু অন্যান্য বিষয়ববীয়াসকলে সকলো সময়তে জনহিতাৰ্থে সেৱা আগবঢ়াই আছে। ডিমৌ ৰাজহ চক্ৰ বিষয়াই ডিমৌ ৰাজহ অন্তৰ্গত বকুলডোবাত দিচাং নৈ সোঁদিশৰ জলসম্পদ বিভাগৰ ৫ নং চুইচ গেটৰ বিজুতিৰ ফলত পানী নিৰ্গত হোৱাৰ খবৰ ল'বলৈ উপস্থিত হয়। জলসম্পদ বিভাগৰ তৎপৰতাত বাঁহ, কাঠ আৰু বালি বেগৰ সহায়ত পানী বন্ধ কৰা হয়। লগতে চক্ৰ বিষয়াই, লাট মণ্ডল, গাঁও প্ৰধান আদিৰ সহিতে সাম্ভব্য বানপানী অঞ্চল, দিহিংমুখ, লাইবিল, লাচং, মিলনকুৰ আদি পৰিদৰ্শন কৰে। তাৰ পিছত আমগুৰি ৰাজহ চক্ৰ বিষয়াই জলসম্পদ বিভাগৰ বিষয়া আৰু লাটমণ্ডল সহিতে দিকচু মুখত নামতি নৈৰ বান্ধৰ দুয়োপাৰে নিৰ্মাণ হৈ থকা প্ৰতিৰোধী কামৰ অগ্ৰগতিৰ বুজ লয়। আনহাতে নাজিৰা চক্ৰৰ অন্তৰ্গত অঞ্চলসমূহত বন্যা পৰিস্থিতি মূল্যায়নৰ উদ্দেশ্যে ক্ষেত্ৰ পৰিদৰ্শন কৰা হয়। উক্ত পৰ্যবেক্ষণত দেখা যায় যে অতীত কিছুমান ঘণ্টাৰ ভিতৰত পানীৰ পৰিমাণ বৃদ্ধি পাইছিল, যাৰ ফলস্বৰূপে নাজিৰা চক্ৰ বিষয়াই একাধিকবাৰ ক্ষেত্ৰত গৈ পৰিস্থিতিৰ সতৰ্কভাৱে পৰ্যবেক্ষণ কৰে আৰু প্ৰস্তুতি ব্যৱস্থা সুনিশ্চিত কৰে। সকলো LRA (লাট মণ্ডল), গাঁও প্ৰধান, CQRT, আৰু AAPDA MITRA সদস্যসকলক সজাগ কৰি দিয়া হৈছে বুলি জিলা প্ৰশাসনে জানিবলৈ দিয়াৰ লগতে যাতে তেওঁলোকে সম্প্ৰদায়িক স্তৰত উচ্চসতৰ্কতা অৱলম্বন কৰে আৰু যিকোনো অস্বাভাৱিক অৱস্থাৰ বিষয়ে লগে লগে খবৰ দিয়ে। বৰ্তমান পৰ্যবেক্ষণ অনুসৰি, পানীৰ স্তৰ ধীৰে ধীৰে পৰিমাণে হ্ৰাস পাইছে।

# শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনত আৰম্ভ হৈছে শালিধানৰ শস্য বীমা প্ৰক্ৰিয়া

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা হৈছে, কৃষকৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এখন মুখ্য আঁচনি। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত শস্য বীমা কৰা কৃষকসকলৰ শস্য যদি কোনো প্ৰাকৃতিক দুৰ্যোগ অথবা কীট-পতংগ তথা ৰোগৰ দ্বাৰা অনিষ্ট হয়, তেতিয়া তেওঁলোকে উচিত ক্ষতিপূৰণ লাভ কৰিব পাৰে। এই আঁচনিৰ অধীনত কৃষকৰ মাত্ৰ ১০০ টকাত ১ হেক্টৰ কৃষিভূমিৰ শস্য বীমা কৰিব পাৰি। এই বছৰ খাৰিফ ২০২৫ বৰ্ষৰ বাবে শিৱসাগৰ জিলাত ২৬,৫০০ টা পঞ্জীয়ন লক্ষ্য বান্ধি দিছে আৰু নিৰ্ধাৰিত শস্য হৈছে শালিধান। শালিধানৰ পঞ্জীয়নৰ অন্তিম তাৰিখ হৈছে ৩১ জুলাই। গতিকে সকলো শালিধানৰ খেতি কৰা কৃষকসকলক এই নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নিজৰ নিজৰ খেতিডৰা সুৰক্ষিত কৰাৰ অৰ্থে ফচল বীমা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষই আহ্বান জনাইছে। পঞ্জীয়নৰ বাবে আৱশ্যক প্ৰয়োজনীয় নথি-পত্ৰসমূহ হৈছে আধাৰ কাৰ্ড, মাটিৰ নথি-পত্ৰ, বেংক পাচবুক আৰু মোবাইল নম্বৰ। শিৱসাগৰ জিলাত এছ বি আই জেনেৰেল ইঞ্চুৰেঞ্চ কোম্পানীৰ দ্বাৰা এই শস্য বীমা প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি জানিবলৈ দিছে। সবিশেষ জানিবলৈ জিলা কৃষি বিষয়াৰ কাৰ্যালয়, মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়, সংশ্লিষ্ট কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়ক, কৃষি সখী, গাঁও প্ৰধানৰ লগত যোগাযোগ কৰিবলৈ জিলা কৃষি বিষয়া আচিফ বৰাই আহ্বান জনাইছে।

অসম চৰকাৰ

# ই-খাজনা

## ভূমি ৰাজহ আদায় ব্যৱস্থাৰ সৰলীকৰণ

ভূমি ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী তথা সুগম কৰাৰ লক্ষ্যৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰে জনসাধাৰণৰ বাবে লৈ আহিছে

**অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধ ব্যৱস্থা**

- পট্টাদাৰে অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে খাজনা পৰিশোধ কৰিব পাৰিব
- পট্টাদাৰসকলে অনলাইন e-Khazna যোগে বা অফলাইন CFR যোগে আদায় দিব পাৰিব ভূমি ৰাজহ
- অনলাইন e-Khazna যোগে খাজনা পৰিশোধ কৰিব নোৱাৰা পট্টাদাৰৰ বাবে কৰা হৈছে এই ব্যৱস্থা
- কৰ্মসূত্ৰে বা আন কাৰণত বাহিৰত বসবাস কৰা পট্টাদাৰে অনলাইনযোগে e-Khaznaৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব
- সকলো জিলাৰ সমূহ মৌজাদাৰ/ তহচিলদাৰৰ কাৰ্যালয়ত এই ব্যৱস্থা কৰা হৈছে

ভূমিৰ ৰাজহ
অনলাইন পৰিশোধ কৰিবলৈ
QR ক'ড স্কেন কৰক

**আজিয়েই**
**আপোনাৰ ভূমি ৰাজহ**
**আদায় দিয়ক**

মোবাইলৰ সহায়ত QR ক'ড স্কেন ▶ ই-খাজনা প'ৰ্টেল ▶ পে' (যদি ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে) বা খাজনা আদায় দিবলৈ পঞ্জীয়ন কৰক

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

Exclusive/2024-25/10

Janasanyog RO no 469/25/6-June-25

# ডিব্ৰুগড়ৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভা



**এম হাছিম আলী, ডিব্ৰুগড় ঃ** ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উপ সচিব শান্তনু গগৈ আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনাৰ (জলসিঞ্চন বিভাগ) প্ৰকল্প বিষয়া মৃণাল জ্যোতি বৰাৰ উপস্থিতিত (২-৬-২০২৫) ডিব্ৰুগড় জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত এখনি সভা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত (দুৰ্যোগ ব্যৱস্থাপনা) ডাঃ মনিকা বৰাই ডিব্ৰুগড় জিলাৰ বান পৰিস্থিতিৰ ওপৰত আলোকপাত কৰাৰ লগতে ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া দ্বীপজ্যোতি হাতীকাকতীয়ে জিলাখনৰ বানাক্ৰান্ত এলেকাৰ সবিশেষ তথ্য, এচ ডি আৰ এফ -এনডিআৰএফ তথা অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দ্বাৰা চলাই থকা উদ্ধাৰ অভিযান, বানাক্ৰান্তসকলৰ বাবে ইতিমধ্যে সাজু কৰি ৰখা আশ্ৰয় শিবিৰৰ লগতে বানাক্ৰান্ত ৰাইজৰ বাবে পৰ্যাপ্ত সাহাৰ্য সামগ্ৰী ইত্যাদি সন্দৰ্ভত বিতং তথ্য সম্বলিত পাৱাৰ পইন্ট প্ৰেজেন্টেচন আগবঢ়ায়। সভাত ডিব্ৰুগড়ৰ নগৰাঞ্চলৰ বানপানী সমস্যাৰ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। ডিব্ৰুগড় পৌৰ নিগমৰ কাৰ্যবাহী বিষয়া ন'ভাচ কুমাৰ দাসে বিগত বৰ্ষত ডিব্ৰুগড়ৰ নগৰাঞ্চলত হোৱা বান পৰিস্থিতিৰ যাতে পুনৰাবৃত্তি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট বিভাগৰ দ্বাৰা গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। ডিব্ৰুগড় জিলাত বিগত বৰ্ষৰ বানত ক্ষতিগ্ৰস্ত হোৱা মথাউৰি সমূহৰ বৰ্তমানৰ অৱস্থাৰ বিষয়েও সভাত আলোচনা কৰা হয়। আনহাতে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ বিভাগৰ উপ-সচিব শান্তনু গগৈয়ে সভাত উপস্থিত জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য, জলসম্পদ, লোকনিৰ্মাণ (পথ), বিদ্যুৎ, হস্ততাঁত-বস্ত্ৰশিল্প, গৃহ নিৰ্মণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ বিষয়ববীয়াৰে সৈতে বান পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ যাৱতীয় প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰে। সভাত সহকাৰী আয়ুক্ত সুৰভী শ্ৰীবাস্তৱা, মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কুইন গগৈ, টিংখাং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড° উপাসনা দুৱৰা প্ৰমুখ্যে অন্যান্য বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। ইয়াৰ পাছতে দুয়োগৰাকী বিষয়াই ২ নং বগীবিল নিম্ন প্ৰাথমিক বিদ্যালয় বান সাহাৰ্য শিবিৰ পৰিদৰ্শন কৰি আৱাসীসকলৰ সৈতে মতবিনিময় কৰি পৰিস্থিতিৰ সবিশেষ বুজ লয়। তেওঁলোকে লেজাই হায়াৰ চেকেণ্ডেৰী বিদ্যালয় আদৰ্শ বান সাহাৰ্য শিবিৰ পৰিদৰ্শন কৰি শিবিৰত উপলব্ধ বিভিন্ন সা-সুবিধা যেনে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, পুৰুষ আৰু মহিলাৰ বাবে পৃথক কোঠাৰ ব্যৱস্থা, অনাময় ব্যৱস্থা, প্ৰয়োজনীয় চিকিৎসাৰ সুবিধা, শিশুৰ উপযোগী স্থানৰ ব্যৱস্থা আদিৰ বিষয়ে বুজ লয়।

# ডিব্ৰুগড় খোৱাঙত বুঢ়ীদিহিঙৰ বাঢ়নী পানীয়ে ভগামুৰ ব্লক গাঁৱৰ ৰিংবান্ধৰ এটা অংশ উটুৱাই নিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** জেঠমহীয়া বানে এতিয়া ৰাজ্যৰ প্ৰায় সকলো জিলাতে কম-বেছি পৰিমাণে ভয়াৱহ ৰূপ ধাৰণ কৰি স্বাভাৱিক জনজীৱন স্তব্ধ কৰি পেলাইছে। যোৱা দুই তিনিদিন ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰকে ধৰি উজনিৰো প্ৰায় প্ৰতিখন নদী-উপনদীৰেই পানী ওফন্দি উঠিছে। সমান্তৰালভাৱে খোৱাং বিধানসভা সমষ্টিৰ কোটোহা পঞ্চায়তৰ অন্তৰ্গত ভগামুৰ ব্লক গাঁৱৰ ৰিংবান্ধৰ এটা অংশ বুঢ়ীদিহিঙৰ বানে উটুৱাই নিয়ে। নৈখনৰ বাঢ়নী পানীত অঞ্চলটোৰ বহু কৃষকৰ পশু-ধনৰ লগতে শালি খেতিৰ কঠীয়া পানীত ডুব যোৱাত মূৰে-কপালে হাত দিব লগাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হৈছে। জলমগ্ন হৈ থকা অঞ্চলত- বানত ক্ষতিগ্ৰস্ত লোকৰ কাষত খোৱাং সমষ্টিৰ উদীয়মান যুৱ নেতা অসীম হাজৰিকাই খবৰ পোৱাত তাৎক্ষণিকভাৱে উক্ত স্থানত উপস্থিত হৈ স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি পৰিস্থিতিৰ সন্দৰ্ভত বুজ লয়। লগতে সষ্টম কৰি ৰখা অস্থায়ী শিবিৰ সম্পৰ্কে জিলা প্ৰশাসন আৰু জল সম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু শিবিৰসমূহ পৰিদৰ্শন কৰি বানপীড়িত ৰাইজক সকলো প্ৰয়োজনীয় সাহায্য তথা সহায় সহযোগিতাৰ কথা আশ্বাস প্ৰদান কৰে।

# নগাঁৱৰ আমোলাপট্ৰীৰ নগেন্দ্ৰ নাথ শৰ্মা বৰুৱাৰ বিয়োগ

**নগাঁও ঃ** নগাঁও জিলাৰ আমোলাপট্ৰী নিৱাসী ৭ নং ৱাৰ্ডৰ অন্তৰ্গত সৰবৰহী ব্যক্তি নগেন্দ্ৰ নাথ শৰ্মা বৰুৱা (৭১)ৰ হৃদৰোগত আক্ৰান্ত হৈ নিজ বাসভৱনতে আকস্মিক বিয়োগ ঘটে। সদা সক্ৰিয় আৰু যিকোনো বিপদ-আপদৰ সময়ত সকলোৰে ওচৰত সাহস হৈ উপস্থিত থকা শৰ্মাদেৱ এক অনন্য ব্যক্তিত্বৰ অধিকাৰী আছিল। মৃত্যুৰ আগলৈকে তেওঁ বিভিন্ন সামাজিক কামত জড়িত হৈ আছিল। তেওঁ চন্দ্ৰজ্যোতি সংঘ আৰু আমোলাপট্ৰী পূজা সমিতিৰ লগতে বিভিন্ন অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত বিভিন্ন সামাজিক অনুষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত একমাত্ৰ কন্যা, পত্নী, ইষ্ট - কুটুম্বকে ধৰি অজস্ৰ গুণমুগ্ধ আৰু বন্ধুবৰ্গক ইহ সংসাৰত এৰি থৈ যায়।

# স্নেহবন্ধন

■ **পংকজ শইকীয়া,** মৰিকলং, নগাঁও

**গ**ধূলি হ'বৰে হ'ল। ময়ূৰীয়ে চোতালখন সাৰি আজৰি হ'ল। হাত মুখ ধুই আহি তাই নীলা আকাশখনলৈ চাই পঠিয়ালে। এজাক বগলী আকাশেদি উৰি গ'ল। ময়ূৰীয়ে ৰ লাগি চালে।

"সন্ধিয়া আকাশত বগলী উৰে
আইৰে ঘৰলৈ মনতে পৰে," ন, শাহুৱেকে ময়ূৰীৰ কান্ধত হাত থৈ ক'লে।

"নহয়। গীতটো এনেকৈ হে—
সন্ধিয়া আকাশত বগলী উৰে
শাহু আইৰে মৰমত মন মোৰ ভৰে।
নিজৰ জী যেন মৰম মোক কৰে
মই হেৰাই যাম বুলি ভয়তে মৰে।"

ময়ূৰীয়ে শাহুৱেকলৈ চালে।

শেষৰ কলিটো নেগাবা। অঁ। তুমি ধেমালিতো নাগাবা, শাহুৱেকে ময়ূৰীক গবা মাৰি ধৰিলে।

এৰা। শাহুৱেকে ময়ূৰীক বহুত মৰম কৰে। কিন্তু মৰমৰ বস্তুবোৰ বোলে সোনকালেই হেৰাই যায়। ময়ূৰীয়ে বৰ ভয় খালে।

ময়ূখৰ নিভাঁজ মৰমত, শাহুৱেকৰ চেনেহত ময়ূৰীৰ জীৱন ধন্য হ'ল। আৰু নো কি লাগে। আনৰ দুখত দুখী হোৱা এটা ভাল মন আছে ময়ূৰীৰ। সুস্থ সৰল মনৰ অধিকাৰী তাই।

শেষৰ কলিটো সঁচা যদি হয় মা। তেতিয়া তুমি সহ্য কৰিব নোৱাৰিবা ন? কিন্তু, কিন্তু, ময়ূৰী উচুপি উঠি শাহুৱেকৰ বুকুত মুখ গুজি দিলে।

সন্ধিয়া লাগিবৰে হ'ল। ময়ূৰীয়ে তুলসীৰ তলত চাকি গছি জ্বলাই দিলে। চাকিৰ পোহৰত তাইৰ মুখখন জিলিকি উঠিল। শাহুৱেকে বাৰান্দাৰ লাইটবোৰ জ্বলাই দিলে। আন্ধাৰ আতৰি গ'ল। ময়ূৰীয়ে ধূপ-ধূনা জ্বলালে।

মাইনাক সন্ধিয়া শুৱাই থোৱাটো বেয়া বাবে ময়ূৰীয়ে বুকুত সাবটি বাৰান্দাতে বহিল। ময়ূখ নগৰলৈ গৈছে। আহি পোৱা নাই।

চাওঁ। ভৰি দুটা দিয়া। ধুৱাই দিওঁ। শাহুৱেকৰ কথাত ময়ূৰী আচৰিত হ'ল। তাইৰ জ্বৰ উঠা কথাটো শাহুৱেকো বাৰু কেনেকৈ জানিলে?

নালাগে মা, ধুম নহয়, তুমি মিছাতে, ময়ূৰী সচকিত হ'ল।

একদম চুপ। বৰষুণত তিতি নুফুৰিবা বুলিলে নুশুনা নহয়, শাহুৱেকে জোৰ কৰি ময়ূৰীৰ ভৰি দুটা গৰম পানীৰে ধুৱাই দিলে। তাৰ পাছত মিঠাতেল গৰম কৰি ভৰি মালিচ। কপালত হাত বুলাই দিলে। ময়ূৰীয়ে বহুত আৰাম পালে। তাই ৰ লাগি শাহুৱেকলৈ চালে। মাকৰ মূখখনেই যেন।

এনেতে ময়ূখ বজাৰৰ পৰা আহিল। বজাৰৰ মোনাখন মাকৰ হাতত দিলে। লুকেল কুকুৰা। মানে শাহুৱেকে, ময়ূৰীৰ দুচকুত পানীৰে ভৰি পৰিল।

শাহুৱেকে সোনকালেই ভাত পানীৰ ব্যৱস্থা কৰিলে। মাইনাক ময়ূখৰ হাতত দি ময়ূৰীয়ে শাহুৱেকৰ কাষ পালেগৈ।

একো পিটপিটাই নুফুৰিবা। বহি থাকা। জ্বৰ হ'লেও নেৰিবাই, শাহুৱেকে ময়ূৰীক ক'লে।

কি নো পাই মা। ভাল পালো মই, মাকৰ মৰম দেখি জ্বৰ পলাই ফাট মাৰিলে। ময়ূৰীয়ে ক'লে।

একদম চুপ। বহি থাকা বুলি কলো নাই হা, বেছি কৰে, শাহুৱেকে ভাত বাঢ়ি ময়ূৰীক দিলে।

গৰমা গৰম ভাত। কুকুৰা মাংসৰ জাল, কেঁচা জালুক, শাহুৱেকে ময়ূৰীক এগৰা খুৱাই দিলে।

মা, ময়ূৰীৰ মাত থোকাথুকি হ'ল।

হ'ব। খাই লোৱা এতিয়া। জ্বৰটো কাঢ়ি ল'লো মই। শাহুৱেকে নিজৰ কপালখন ময়ূৰীৰ কপালত লগাই ক'লে। এক স্নেহবন্ধন।

ইয়াৰ পিছত মইনাই মৰম কৰিব। সেইটোহে আচল মৰম। চাওঁচোন জ্বৰ কেনেকৈ থাকে, শাহুৱেকে হাঁহি ক'লে।

উৱা। কি বোৰ কয় আক। আমি সেই জাতৰ নহয়েই যা। মই আজি তোমাৰ লগত শুম। মা ৰ বুকুৰ মাজত। ময়ূৰীয়ে শাহুৱেকৰ চকুলৈ চালে।

# আইৰ সমান হ'ব কোন নৈৰ সমান ব'ব কোন

■ **লখিমী শৰ্মা,** যোৰহাট

**এ**গৰাকী মাতৃৰ যি নিস্বাৰ্থ মৰম, ভালপোৱাবোৰ সিয়েহে বুজি উঠিব যি তেওঁক শ্ৰদ্ধা কৰে, মৰম কৰে, সকলো মানে সকলো কথা কৰ্মতে। অকল আই বুলি ক'ব নাযাওঁ লগতে বোপাইৰ সেই একেই নিস্বাৰ্থ মৰম চেনেহয়ো লেখত ল'বলগীয়া এক বিষয়।

আইৰ সমান নিস্বাৰ্থ ভালপোৱা পৃথিৱীত আন দ্বিতীয় জন নোলাব মোৰ বোধেৰে। আইৰ কষ্ট, দুখ, ভাগৰ, নিজৰ যি যি কৰ্মৰাজি, আইৰ সমস্তখিনি বুজিব লাগিব নিজ নিজ সন্তান সকলে।

আজিৰ দিনত যে, প্ৰায়ে দেখিবলৈ পোৱা আই-বোপাইক চিনি নোপোৱা, বোজা বুলি ভবা নিকৃষ্ট মনৰ মানুহ এচামে নিজৰ নিজৰ আই, বোপাই সকলক বৃদ্ধাশ্ৰমত নি থৈ আহেগৈ। ইয়াতকৈ আৰু বেদনাদায়ক কি হ'ব পাৰে?

যিয়ে বুজি নুঠিলে যে সেই আই বোপাইয়ে এসময়ত তেওঁলোকক কিমান কষ্টৰে ডাঙৰ দীঘল কৰি পঢ়াই শুনাই মানুহ বনালে। আৰু শেষত গৈ থৈ তেওঁলোকেই চিনি নাপাই আই নো কোন বোপাই নো কোন।

ধিক্কাৰ এনে মানুহবোৰক। মোৰ বোধেৰে আমিবোৰ সকলোৱে নিজৰ নিজৰ আই বোপাইক সন্মান কৰিব লাগে, তেওঁলোকে আমাৰ বাবে যি যি কৰিলে সেইয়া কিমান যে অতুলনীয়।

মানুহে কোৱা নো কি আৰু ভগৱানে সকলো দেখি আছে, সকলোৱে নিজৰ নিজৰ কৰ্মফল পাবই। সকলোৰে দিন সমানে নাযায় ! কাৰোবাৰ হয়টো দুখ হৈছে, কাৰোবাৰ আকৌ সুখ। সকলোৱে সুখ-দুখৰ সমভাগী হৈ জীৱন জীয়াই থাকিলেনো কি হ'ব ! ভাল কৰ্ম কৰিলে ভাল ফল আৰু বেয়া কৰ্মত বেয়া ফল ভুগিবলৈ পাবা বুলি শাস্ত্ৰত উল্লেখ আছে যিহেতু।

আইৰ মৰম ভালপোৱা, বোপাইৰ মৰম ভালপোৱা আমাৰ প্ৰতি চিৰস্থায়ী হৈ থাকক।

**ম'বাইল ঃ ৮৮১১৯-৩০০৪২**

# সঠিক বিত্তীয় পৰিকল্পনা আৰু আৰ্থিকভাৱে সবল অৱসৰকালীন জীৱন

■ ড° দিলোৱাৰহক
সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ
ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়

যিকোনো ক্ষেত্ৰত সঠিক পৰিকল্পনাই নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ পথত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি সৰ্বজনবিদিত। ব্যক্তি তথা পৰিয়াল এটা আৰ্থিকভাৱে সবল হ'বলৈও সঠিক বিত্তীয় পৰিকল্পনা অতিকৈ প্ৰয়োজন। কোনো এজন ব্যক্তিয়ে আয় উপাৰ্জনৰ কামত নিয়োজিত হোৱাৰ পিছৰ পৰাই যদি সঠিক বিত্তীয় পৰিকল্পনা প্ৰস্তুত কৰি ল'ব পাৰে আৰু সেই পৰিকল্পনা সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিব পাৰে তেন্তে তেওঁ উপাৰ্জিত আয়ৰ টকা দক্ষতাপূৰ্ণ ব্যৱহাৰও পৰিচালনা কৰাৰ উপৰিও ভৱিষ্যতৰ আৰ্থিক দিশতো টনকিয়াল হ'বলৈ সক্ষম হ'ব পাৰিব। সঠিক বিত্তীয় পৰিকল্পনাই ব্যক্তি এজনক মিতব্যয়ী হ'বলৈ শিকায়। মিতব্যয়ী মানে ব্যক্তি এজনৰ উপাৰ্জিত আয়ৰ উপযুক্ত আৰু কাম্য ব্যৱহাৰকহে বুজায়। দুখীয়া, মধ্যবিত্ত অথবা ধনী আমি সকলোৱেই আমাৰ উপাৰ্জিত আয়ৰ সঠিক ব্যৱহাৰ কৰাটো অতিকৈ প্ৰয়োজন। কোনো এজন ব্যক্তিৰ জীৱনকালত কিছুমান বিত্তীয় লক্ষ্য নিৰ্ধাৰণ আৰু লগতে নিৰ্ধাৰিত সময়ৰ ভিতৰত সেইসমূহ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰস্তুত কৰা সঠিকপদ্ধতিকেই বিত্তীয় পৰিকল্পনা বুলি কোৱা হয়। আমাৰ প্ৰত্যেকৰে জীৱনত বিত্তীয় পৰিকল্পনাৰ প্ৰয়োজন আছে। ব্যক্তি এজনৰ বিত্তীয় পৰিকল্পনা যিমানেইসঠিক হ'ব, তেওঁৰ বিত্তীয় লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা সিমানেই অধিক হ'ব। সঠিক বিত্তীয় পৰিকল্পনাৰ কিছুমান বৈশিষ্ট্য হ'ল - বিত্তীয় পৰিকল্পনাৰ লক্ষ্য সুস্পষ্ট, সুনিৰ্দিষ্ট, পৰিমাপযোগ্য, সময় সাপেক্ষ আৰু বাস্তৱধৰ্মী অৰ্থাৎ লক্ষ্যটো বাস্তৱত পৰিণত হ'ব পৰা হ'ব লাগিব। যদি কোৱা হয় 'কিছুবছৰ পিছত আমাক হাতত বহুত টকা লাগিব আৰু তাৰ বাবে কিবা এটা ব্যৱস্থা কৰিব লাগিব' তেন্তে এয়া সঠিক বিত্তীয় পৰিকল্পনা বুলি ক'ব নোৱাৰি। কাৰণ বহুত টকা মানে কিমান পৰিমাণৰ টকা তাক সুনিৰ্দিষ্ট আৰু সুস্পষ্ট ৰূপত প্ৰকাশ কৰা হোৱা নাই। লগতে কিমান পৰিমাণৰ টকাক বহুত টকা বুলি কোৱা হ'ব তাৰো কোনো বিজ্ঞানসন্মত সংজ্ঞা নাই। কিন্তু, ইয়াৰ বিপৰীতে যদি কোৱা হয়, 'আজিৰ পৰা ৩৫ বছৰ পিছত আমাক ১ কোটি টকা লাগিব', তেন্তে ইয়াক সুনিৰ্দিষ্ট, সুস্পষ্ট পৰিমাপ যোগ্য বিত্তীয় লক্ষ্য বুলি ক'ব পাৰি। এতিয়া এই লক্ষ্যটো বাস্তৱত উপনীত হ'ব পৰা হয় নে নহয় সেয়া ব্যক্তিজনৰ উপাৰ্জিত আয় আৰু তাৰ পৰা কৰাব্যয় আৰু তেওঁৰ বিত্তীয় পৰিকল্পনাৰ মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰিব। আমাৰ মাজৰ অধিকাংশৰে কোনো সঠিক বিত্তীয় পৰিকল্পনা নাথাকে, যাৰ বাবেই উপাৰ্জন কৰি থকা স্বত্বেও বহুত ক্ষেত্ৰত বিশেষকৈ বিত্তৰ ব্যৱহাৰিক দিশবোৰত বিফল হোৱাৰ উপৰিও বৃদ্ধ কালত অথবা চাকৰিয়াল ব্যক্তিৰ অৱসৰকালীন জীৱনত বিত্তীয় সমস্যাৰ সন্মুখীন হোৱা দেখিবলৈও পোৱা যায়। এনে কি অধিকাংশ চৰকাৰী চাকৰিয়াল অৱসৰকালীন জীৱনকালৰ বাবে একমাত্ৰ পেঞ্চনৰ ওপৰত সম্পূৰ্ণ ৰূপে নিৰ্ভৰশীল হয়। তেওঁলোকৰ বাবে চৰকাৰী পেঞ্চনটোৱেইশেষ ভৰষা হৈ পৰে, যিটো বেছিভাগৰে ক্ষেত্ৰত পৰ্যাপ্ত নহ'বও পাৰে। কাৰণ চাকৰিকালত লাভ কৰা মাহেকীয়া দৰমহাতকৈ পেঞ্চনৰ পৰিমাণ সদায় কম হয়। লগতে সময়ৰ লগে লগে প্ৰতিবছৰেই দ্ৰব্যৰ দাম বৃদ্ধি হয়, যাক মুদ্ৰাস্ফীতি বুলি কোৱা হয়। মুদ্ৰাস্ফীতিৰ ফলত খৰচৰ পৰিমাণ বৃদ্ধি হৈ গৈ থাকে। ধৰাহ'ল, কোনো এজন ব্যক্তিৰ বৰ্তমান মাহেকত অত্যাৱশ্যকীয় সামগ্ৰীৰ বাবদ ১০,০০০ টকা খৰচ হয়। যদি মুদ্ৰাস্ফীতিৰ হাৰ গড় হিচাপত প্ৰতি বছৰে ৬শতাংশ হয়, তেন্তে আজিৰপৰা ৩০ বছৰ পিছত তেওঁ মাহেকত ৫৭,৪৩৪.৯১টকা ব্যয় কৰিব লাগিব। বৰ্তমানৰ ১০,০০০ টকাত লাভ কৰা বস্তুবোৰ ৬শতাংশ মুদ্ৰাস্ফীতিৰ বাবেই ৩০ বছৰ পিছত৫৭,৪৩৪.৯১ টকাৰে কিনিব লাগিব। অত্যাৱশ্যকীয় সামগ্ৰীৰ উপৰিও বৃদ্ধকালত বা অৱসৰৰকালচোৱাত বহুতৰ ক্ষেত্ৰত স্বাস্থ্যজনিত খৰচো যথেষ্ট পৰিমাণৰ কৰিবলগীয়া হয়। ইয়াৰ ফলত খৰচৰ মাত্ৰা অধিক বৃদ্ধি হ'ব। ইয়াৰ বিপৰীতে আয় কমি যাব আৰু ফলত নানান সমস্যা, বিশেষকৈ বিত্তীয় সমস্যাৰ সন্মুখীন বাৰুকৈয়ে হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিব। যিসকল চাকৰিয়ালৰ সঠিক বিত্তীয় পৰিকল্পনাৰ অভাৱৰ লগতে অৱসৰকালীন পেঞ্চনৰো ব্যৱস্থা নাই তেওঁলোক বিত্তীয় সমস্যাৰ সন্মুখীন হোৱাটো নিশ্চিত বুলি ক'লেও ভুল নহ'ব। গতিকে অৱসৰকালীন সময়ছোৱাত বিত্তীয় সংকট মুক্ত সুখকৰ জীৱনযাপন কৰিবলৈ চাকৰিত যোগদানৰ পিছতেহ দীৰ্ঘম্যাদী সঠিক বিত্তীয় পৰিকল্পনাৰ প্ৰস্তুত আৰু তাৰ কাৰ্যকৰীকৰণৰ অতিকৈ প্ৰয়োজন। কোৱা হয় যে পৰিকল্পিত বিত্তীয় লক্ষ্যত উপনীত হ'বলৈ হাতত যিমানেই বেছি সময় থাকিব সিমানেই কম পৰিমাণৰ টকা নিয়মিতসঞ্চয় আৰু বিনিয়োগৰ প্ৰয়োজন হ'ব। যদি আমি সঞ্চয় আৰু বিনিয়োগৰ সঠিক উৎসত ভাগে ভাগে নিয়মিত ৰূপত সঞ্চয় আৰু বিনিয়োগ কৰি গৈ থাকো তেন্তে দীৰ্ঘকালত বিত্তীয় দিশত টনকিয়াল হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে, যিয়ে চাকৰিয়াল ব্যক্তিৰ অৱসৰকালীন জীৱন আৰ্থিক সমস্যাৰ পৰা মুক্ত কৰি সুখকৰ কৰি তুলিব পাৰে। উদাহৰণ স্বৰূপে ধৰা হ'ল কোনো এজন ব্যক্তি ২৫ বছৰ বয়সত চাকৰিত যোগদান কৰিছে আৰু ৬০ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰিব। গতিকে তেওঁৰ অৱসৰলৈ হাতত ৩৫ বছৰ সময় আছে। যদি তেওঁ এই ৩৫টা বছৰ মাহেকত ২০০০টকাকৈ সঠিক উৎসত, ধৰাহ'ল যৌথ ধন বিনিয়োগ পুঁজি বা মিউচুৱেলফাণ্ডত (Mutual Fund), বিনিয়োগ কৰি গৈ থাকে আৰু তেওঁ গড় হিচাপত ১৩ শতাংশ মুনাফা বা প্ৰতিদান লাভ কৰিব তেন্তে৩৫বছৰ পিছত মুঠ১,৪০,৪৪,২১৬.৬৩ টকা ঘূৰাই পাবলৈ সক্ষম হ'ব। য'ত এহ ৩৫বছৰত মাহত ২০০০ টকাকৈ জমা কৰিলে তেওঁৰ নিজৰ ৮,৪০,০০০ টকা জমা হ'ব। বিনিয়োগৰ বহুতো উৎসৰ মাজত মিউচুৱেলফাণ্ড এটা লাভজনক উৎস। যদিও মিউচুৱেলফাণ্ডৰ বিনিয়োগত ক্ষতিশংকা আৰু অনিশ্চয়তা থাকে তথাপিতো উপযুক্ত আৰু অভিজ্ঞ বিত্তীয় পৰামৰ্শদাতাৰ সহায়ত ওপৰত উল্লেখিত উদাহৰণৰ দৰে লাভৱান হ'বপাৰি। এইদৰেই চাকৰিয়াল ব্যক্তি এজনে চাকৰিৰ কালত সঠিক বিত্তীয় পৰিকল্পনাৰ যোগেদি অৱসৰৰ সময়ত গঠন কৰিবলৈ সক্ষম হোৱা জমাপুঁজি পুনৰবাৰ অৱসৰকালীন সময়ৰ বাবে সঠিকভাৱে পৰিচালনা আৰু ব্যৱহাৰ কৰি বিত্তীয় সমস্যামুক্ত আৰু এক সুখকৰ অৱসৰকালীন জীৱন অতিবাহিত কৰাটো সম্ভৱপৰ কৰি তুলিব পাৰে। চাকৰিৰকালছোৱাত ব্যক্তি এজনে প্ৰতিমাহত লাভ কৰা দৰমহাৰ টকাখিনি এটা নিয়মিত আয়ৰ উৎস হিচাপে পৰিগণিত হয় আৰু এই আয়ৰ পৰাই বিভিন্ন বয়-বস্তুৰ বাবদ খৰচ কৰি থকা হয়। সেই বাবেই চাকৰিৰ কালছোৱাত ব্যক্তিজন আয়-ব্যয়ৰ লগত অভ্যস্ত হৈ পৰে। অৱসৰৰ পাছত আয়ৰ পৰিমাণ হ্ৰাস হোৱাৰ লগে লগে ব্যয়ৰ পৰিমাণতো স্বাভাৱিকতে এটা পৰিৱৰ্তন আহি পৰে। যিসকলে ভৱিষ্যতকলৈ অধিক চিন্তিত হয় আৰু মনোযোগী, তেওঁলোকে বিত্তীয় পৰিকল্পনা যুগুত কৰি বিভিন্ন আঁচনি আৰু উৎসত নিজৰ উপাৰ্জিত আয়ৰ এটা অংশ জমা, সঞ্চয় আৰু বিনিয়োগ কৰি গৈ থাকে। এইদৰে কৰা জমা, সঞ্চয় আৰু বিনিয়োগৰ যোগেদি অৱসৰৰ পিছৰ কালছোৱাৰ বাবে এটা বৃহৎ পুঁজি সৃষ্টি কৰিবলৈ সক্ষমহয়, যি পুঁজিৰ বলতেই অৱসৰপ্ৰাপ্ত ব্যক্তিজনে এটি সুস্থ, আৰু স্বাধীন বিত্তীয় অৱস্থাৰ গৰাকী হৈ অৱসৰৰ পিছৰ জীৱনটো নিয়াৰিকৈ চলাহ নিবলৈ সক্ষম হ'ব। কিন্তু যিসকলে চাকৰিৰকালছোৱাত অৱসৰৰ পাছৰ কালছোৱাৰ বাবে বৰ বিশেষ চিন্তিত নহয় আৰু কোনো বিত্তীয় পৰিকল্পনাও নাথাকে তেওঁলোকে নানান সমস্যাৰ সন্মুখীন হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। তেনে লোকসকলে বিশেষকৈ বিত্তীয় অভাৱ অনাটনৰ মাজত ককবকাই থাকিব লগীয়া হয়। গতিকেই সময় থাকোতেই চাকৰিৰ কালছোৱাত প্ৰতিজন ব্যক্তিয়ে সঠিক বিত্তীয় পৰিকল্পনা প্ৰস্তুত কৰি ল'ব লাগে আৰু পৰিকল্পিত বিত্তীয় লক্ষ্যত উপনীত হ'বলৈ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে, যিয়ে বিত্তীয় দিশত টনকিয়াল হোৱাত ব্যক্তিজনক সহায় কৰে। অৱসৰৰ পাছত স্বাচ্ছন্দ্যপূৰ্ণ জীৱন এটি চলাই নিবলৈ পৰ্যাপ্ত পৰিমাণৰ পুঁজি এটা জমা কৰিবলৈ বিত্তীয় পৰিকল্পনা অতিকৈ জৰুৰী। ভৱিষ্যতত বিত্তীয় আহুকালত নপৰাকৈ জীৱনটো অতিবাহিত কৰিব পৰাটোৱেই বিত্তীয় পৰিকল্পনাৰ বিশেষত্ব। প্ৰয়োজনত উপযুক্ত বিত্ত উপলদ্ধ কৰাব পৰাটোৱেই বিত্তীয় পৰিকল্পনাৰ লক্ষ্য। উপাৰ্জিত আয়ৰ পৰা এটা অংশ নিয়মিত ৰূপত বিভিন্ন উৎসত জমা, সঞ্চয় আৰু বিনিয়োগ কৰি গৈ থাকিলে আৰু লগতে মাজে মাজে সেইসমূহৰ জমাধনৰ বৃদ্ধিৰ হাৰ বিশ্লেষণ কৰি প্ৰয়োজনত কিছু সালসলনি কৰি সুচাৰুৰূপে পৰিচালনা কৰি থাকিলে সময়ত ব্যক্তি এজনে পৰ্যাপ্ত বিত্তীয় লক্ষ্যত উপনীত হোৱাটোও সম্ভৱ হৈ উঠিব। উপাৰ্জিত আয়ৰ এটা অংশ ভাগে ভাগে বিভিন্ন উৎস্যত বয়স আৰু আয়ৰ স্তৰ সাপেক্ষ এনেদৰে বণ্টন কৰিব লাগে যাতে অৱসৰকালীন জীৱনৰ বাবে সুবিধাজনক পৰিমাণৰ ধন ঘূৰাই পাবলৈ সক্ষম হয়। ইয়াৰ বাবে এজন ব্যক্তিয়ে বেংক আৰু ডাকঘৰত সঞ্চয় কৰিব পাৰে, নিজৰ ভৱিষ্যতৰ বাবে অথবা অনিশ্চয়তাৰে ভৰা জীৱনৰ বাটত আয় উপাৰ্জনকাৰীৰ অনুপস্থিতিত পৰিয়ালৰ সদস্যসকলক কিছু পৰিমাণে বিত্তীয় লোকচানৰ ক্ষতিপূৰণৰ বাবে জীৱন বীমা কৰাব পাৰে, কিছুমান চৰকাৰী আঁচনিতো ধন জমা কৰিব পাৰে, অথবা যৌথ ধন বিনিয়োগ পুঁজিত বিনিয়োগ কৰিব পাৰে, ঋণপত্ৰ, চুক্তিপত্ৰক্ৰয়কৰিবপাৰে, অথবা মূলধন বজাৰৰ যোগেদি সৰু বৰ কোম্পানীৰ অংশীদাৰী ক্ৰয় কৰিও লাভবান হ'ব পাৰে। উল্লেখিত উৎসসমূহৰ কিছুমানত আয় লাভ কৰাৰ নিশ্চয়তা থাকে আৰু আন কিছুমানত লাভ লোকচানৰ ক্ষতি শংকা থাকে যদিও দীৰ্ঘকালত লাভৱান হ'ব পাৰি। জীৱনৰ যিকোনো স্তৰত বিত্তীয় দিশত টনকিয়াল হোৱাটোকাম্য, কিন্তু অৱসৰকালীন জীৱনৰ বাবে সবল বিত্তীয় স্থিতি অপৰিহাৰ্য।

**ম'বাইল ঃ** ৭০০২৮-৪২৮৮৪/৯৯৫৪৩-৩৬৮৮৩

# জীৱন যিমানেই অভাৱগ্ৰস্ত নহওঁক কিয় ?

■ চন্দ্ৰ শেখৰ পৰাজুলী
বিশ্বনাথ চাৰিআলি, অসম

আমাৰ জীৱনত বহু কিবাকিবি পাবলৈ বহু কিবাকিবি কৰিবলৈ সকলোবোৰ মানুহৰে মনত বহুতো হাবিয়াস থাকে। কিন্তু সকলোবোৰ মানুহৰে সপোনবোৰ সাৰ্থক ৰূপ ল'বলৈ কেতিয়াও সম্ভৱপৰ নহয়। কাৰণ ব্যক্তিগত পৰিস্থিতি অনুযায়ী কিছুমান চিন্তাধাৰাৰ মাজত পাৰ্থক্য দেখা যায়। ইয়াৰ ফলস্বৰূপে সমবয়সীয়া আৰু একেলগে বাঢ়ি যোৱা মানুহৰ মাজতো একেধৰণৰ সপোনবোৰ সাৰ্থক ৰূপ লোৱাত পাৰ্থক্য আহি পৰাটো একেবাৰে নিশ্চিত। কোনোবা মানুহক টকা এশ পাবলৈ যিমান সংঘৰ্ষ কৰিবলগীয়া হয়। হয়তো তাৰে অন্য এজন মানুহে এহেজাৰ টকাও অতি সহজেই উপাৰ্জন কৰিবলৈ সক্ষম হ'ব পাৰে। নিজ নিজ জীৱনৰ পৰিস্থিতি অনুযায়ী চিন্তাধাৰাৰ মাজত অন্তৰ অহাটো একেবাৰে স্বাভাৱিক আৰু অতি সামান্যতম কথা। কিয়নো এইটোৱে জীৱনৰ আচল মাদকতা। তথাপিও যিমানেই আমাৰ পৰিস্থিতিৰ মাজত অন্তৰ আহি নপৰক কিয় ? আমি প্ৰায় প্ৰত্যেকজন মানুহৰে চিন্তাধাৰা মাজত এক সামঞ্জস্য স্থাপন হোৱাও পৰিলক্ষিত হয়। অৰ্থাৎ আমাৰ অতীততে লিখি থৈ যোৱা ধৰ্ম গ্ৰন্থসমূহৰ পৰা আদি কৰি বৰ্তমান সময়ত প্ৰয়োগত অহা আইন প্ৰনালী অনুসৰি ইয়াৰ উপৰিও প্ৰত্যেক জন ব্যক্তিয়ে জীৱন নিৰ্বাহৰ একো একোটা ভাল আৰু বেয়া কৰ্মবোৰৰ মাজত অন্তৰ কৰিবলৈ সক্ষম হৈছো। এতিয়া কথা হ'ল সুন্দৰভাৱে জীৱন পৰিচালনা কৰি লৈ যাবলৈ আমি প্ৰত্যেকজন মানুহকে এতিয়াৰ সময়ত একমাত্ৰ টকা-পইচাৰ সকলোকে দৰকাৰ হয় নহয়নে ? তেন্তে বহু টকাৰ প্ৰলোভন দি একেবাৰে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহ সমূহৰ পৰা কিছুমান পুঁজিবাদী মানুহে যি মন যায় তাকে কৰিবলৈ বাধ্য কৰিব পাৰিব নেকি ? উদাহৰণ স্বৰূপে এজন দিন হাজিৰা কৰা মানুহ এজনক আমি ধৰি লওঁ পঞ্চাছ হাজাৰ মানৰ টকাৰ প্ৰলোভন দি একেবাৰে বেয়া কৰ্ম বা আইন বিৰোধী কৰ্ম কৰাৰ বাবে উৎসাহিত কৰিব পাৰিম নেকি ?

আচলতে হ'ব পাৰে ব্যক্তিগত পৰিস্থিতি অনুযায়ী চিন্তাধাৰাৰ মাজত কিছুমান পাৰ্থক্য দেখা যায়। কিন্তু মই আগতে উল্লেখ কৰিছোঁ যে, আমি প্ৰত্যেকজন মানুহৰে চিন্তাধাৰাৰ মাজত এক সামঞ্জস্য থাকে। এই সামঞ্জস্য অনুসৰি আমি এজন আন এজন মানুহৰ লগত পৃথক হ'লেও সকলোবোৰ মানুহে ভাল, বেয়া দিশসমূহক ভালদৰে বুজি পাওঁ। আচলতে দিন হাজিৰা কৰা বা একেবাৰে দৰিদ্ৰ পৰিলায়ৰ লোকসকলে কেৱল টকা উপাৰ্জনৰ বাবে বেয়া বা আইন বিৰোধী কৰ্মত লিপ্ত কৰিবলৈ সক্ষম হোৱাহেঁতেন আজি আমাৰ সমাজখনৰ মানচিত্ৰয়ে বেয়া দিশলৈ গতি কৰিলেহেঁতেন। গতিকে কাৰোবাৰ জীৱনত কেবল বহু টকা উপাৰ্জন কৰাটোৱেই একমাত্ৰ লক্ষ্য হয় তেন্তে তেওঁ যিকোনো মাধ্যমেৰে টকা সংগ্ৰহৰ প্ৰতি নিজকে নিয়োজিত কৰিব পাৰে। কিন্তু সকলোবোৰ মানুহৰ মনত কেৱল কু-সংস্কাৰ, কু-মানসিকতা গঢ় লৈ নাথাকে। যি সমূহ মানুহে বৰ্তমান সময়ৰ মানৱ অধিকাৰ, নিজ দেশৰ অস্তিত্ব,ধৰ্ম, সম্প্ৰদায়ৰ মহত্ব, নিজ জন্মগ্ৰহণৰ উদ্দেশ্যে বা লক্ষ্য ভালদৰে উপলদ্ধি কৰিবলৈ সক্ষম হয়। তেনেধৰণৰ ব্যক্তিসকলৰ জীৱন যিমানেই অভাৱগ্ৰস্ত নহওঁক কিয় ? তথাপিও তেনেধৰণৰ ব্যক্তিসকলে সৎ মাৰ্গ বা ভাল দিশৰ পৰা কেতিয়াও বা কোনো এজন ব্যক্তিয়েই বিচলিত কৰিবলৈ সক্ষম নহয়।

**ম'বাইল ঃ** ৯৭০৭৩-০৬৪৭৪

## হৃদয়ৰ কথা

আয়শা ছিদ্দিকা (আছৰি)
বাংলিপাৰা,বৰপেটা

হৃদয়ৰ নিভৃতত
কি এক বিষাদৰ ঢৌ
কোনে বাৰু বুজিব
কেতিয়াবা অজানিতে
কান্দি উঠে হৃদয়খনে
বেদনা গধুৰ কলিজাটোৱে
উক মুকলি লগায়
হয়তো ক'ব খোজে
আন কাৰোবাক
কলিজাত অনবৰতে
বিন্ধি থকা কথাবোৰ।
ব্যস্ততাৰে ভৰা মানুহৰ জীৱন
কাৰো যে সময় নাই
আনৰ দুখৰ বতৰা শুনিবলৈ
আনৰ দুখত দুখী হ'বলৈ
নাই সময় কি দৰে জীয়াই আছে
খবৰ বাতৰি ল'বলৈ।
কেৱল দৌৰিছে আৰু দৌৰিছে
সময়ৰ লানি নিছিগা সোঁতত
উটি ভাঁহি গৈছে
যেন নিজতেই মগন হৈ আছে।
কেতিয়াবা মানুহবোৰক মোৰ
এজোপা গছ যেন লাগে
আৰু কেতিয়াবা নিৰ্জীৱ পদাৰ্থ
পোৱাৰ দৌৰত নোপোৱাজনৰ বাবে
ৰ'বলৈ যেন কাৰো আঁহৰি নাই
এয়াই হয়তো পৰিৱৰ্তিত সময়ৰ
পৰিৱৰ্তন নতুন যুগৰ।

ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮

## উদং পথাৰত বুকু ভৰা আশা

যমুনা দুলু বৈশ্য, শুৱালকুছি

বুকুৰ পথাৰতে আছে বাসনা
ক্ষুধা নিবাৰণ ভোকাতুৰৰ সপোন
সোণালী শইচৰে
কিমান যে আশা আছে হেঁপাহ।
উদং পথাৰত কেতিয়াবা
দেই পুৰি নিয়া ৰ'দত,
বোকা, পানীৰে বাজি থাকে-
কৃষকৰ বুকুৰ গানত কেঁচা মাটিৰ গোন্ধ।
ঋতুৰ পৰশত ৰঙৰ বৰণ সলায়
ৰঙাই তোলা সুখৰ মালিতাৰে
আৱৰণ খুলি-
সেউজীয়াবোৰ দেখো হয় সোণোৱালী।
স্বপ্নভৰা আজন্মৰ সাধনাৰে
ভোগৰ সৃষ্টিৰ চানেকিৰ উৰ্বৰা
ভৰি পৰে মেটমৰা ভঁৰাল-
উহ কি যে জাক জাক চৰাইৰ কল্লোল।

## শ্বহীদ

বলিন বৰদলৈ
আলামি, গোলাঘাট

আই আমি তোৰ বাবে
জীৱন বলিদান দিলো ...
উকা হ'ল তোৰ বুকু
মৰমৰ মানুহজনীৰ কঁপালৰ
ৰঙাবেলিটো মচ খাই গ'ল।
চেনেহৰ সন্তানকেইটা অনাথ...।
আমি জানো তহঁতে
আমাক হেৰুৱাই দিশহাৰা হৈছ
কফিনত নিঠৰ দেহাটো দেখি
ৰাউছিজুৰি ৰাউছিজুৰি কান্দিবি
কিন্তু ... কিন্তু কি কৰিবি
জানইচোন আমি বলিৰ পঠা।
তহঁতে দুখ নকৰিবি
তহঁতে আমাক লৈ
গৌৰৱ কৰিব পাৰিবি
কাৰণ আমি শ্বহীদ।

ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮

## পৃথিৱী

জ্যোতিস্মিতা বৰা

যিদিনাই বুকুত এটি উশাহ গুজি ল'লোঁ
সেইদিনাই প্ৰথম পৃথিৱীৰ মুখ দেখিলোঁ

তাৰ পিছৰ পৰাই ক্ৰমশঃ
আৰম্ভ কৰিবলৈ ল'লোঁ
পৃথিৱীৰ মহানুভৱতাৰ স্খলন
জীৱৰ প্ৰতি উফন্দি থকা
চকু চানি ধৰা অন্যায়,

যিদিনাই পৃথিৱীত ভূমিষ্ঠ হ'লোঁ
সেইদিনাৰ পৰাই পাপীষ্ঠ হ'লোঁ
গছকত মাৰিলোঁ কত মৰতৰ জীৱ।

মানুহ হৈ জন্ম লোৱাৰ বাবেই নে
পৃথিৱীৰ জীৱ হোৱাৰ বাবেই পাপী হ'লোঁ
ঠিক ধৰিব নোৱাৰিলোঁ।

যিদিনাৰ পৰাই জনতাৰ কৰুণ বিননি শুনিলোঁ
এগৰাকী ভগ্নীৰ ওপৰত ভাতৃৰূপী দানৱৰ অত্যাচাৰ দেখিলোঁ
জন্মদাতাক বৃদ্ধাশ্ৰমৰ দুৱাৰদলিত দেখিলোঁ
সেইদিনাৰ পৰাই উপলব্ধি কৰিলোঁ
পৃথিৱীতো দেখোন অমানৱতা চলে
এদিন সিদ্ধান্ত লৈ পেলালোঁ গহীন ভাৱে
সেই দানৱৰূপী মানুহবোৰতকৈ পশুৰ শ্ৰেষ্ঠত্ব আছে।

ম'বাইল ঃ ৮৪৭৪৮-৯৪৫৩৬

## প্ৰেম

মেৰী বৰদলৈ,
নগাঁও, ফুলগুৰি

আজিও কাণত
বাজি উঠে
বুকুত ঘাঁ
লগা শব্দবোৰ
কষ্ট হয় যদিও
জীয়াই থকা
বাসনা অলেখ
এই প্ৰেমভৰা
হৃদয়খনিত
হাজাৰ প্ৰেমিকৰ
অহাযোৱা
কিন্তু কিন্তু....
তুমি মোৰ বাবে বিশেষ
জানানে প্ৰেমৰ
দুনিয়াত এতিয়া
প্ৰতাৰণাৰ একুৰা
অগ্নিশিখা
জ্বলিছে দাওঁদাওঁকৈ
উতলা প্ৰেমৰ
চৌপাশে...।

## উশাহ

শতাব্দী শৰ্মা,
আমোলাপট্টি, নগাঁও

টিপ টিপ চাকিটি,
জিলমিল জোনাকৰ পাখিৰ দৰে
জিলিকি উঠে।
ৰিব ৰিব বতাহজাকে অভিসন্ধি কৰে,
চাকিৰ পোহৰ নাশ কৰাৰ
ই পছোৱাৰ বা লাগি
নুমাব খোজে
তথাপি শলিতাডালে যত্ন কৰে
তাক জীয়াই ৰখাৰ
টিপ টিপ চাকিটি
বৈমানিকৰ বিমানে পথ হেৰুৱাৰ দৰে,
নৌকাৰ ভিতৰত পানী সোমাই
ডুবি যোৱাৰ পৰিকল্পনাৰ দৰে,
হৃদযন্ত্ৰবোৰ কোনে সাজিলে?
ধপধপাই পাখি উৰুৱাই
তলত পৰা আঘাতপ্ৰাপ্ত চৰাইটোৰ দৰে।

ম'বাইল ঃ ৬৯০১১-৫২৪২৯

## হেঁপাহৰ বোকোচাত উঠি-

ৰবীতা মিশ্ৰ শৰ্মা
নগাঁও, আমোলাপট্টি

হেঁপাহৰ বোকোচাত উঠি
অনুভৱবোৰে অগা দেৱা কৰে
শব্দৰ মালা গাঁঠি গাঁঠি,
সপোনকে আপোন কৰি
নিৰৱতাক বুকুত সাৱটি
চাদৰৰ আঁচলত থৈছোঁ
আশাবোৰ বান্ধি;
সেউজীয়া অনুভৱবোৰ ছটিয়াই
পঙ্কিলতাৰ শিৰ গছকি
আগবাঢ়ি যাওঁ
সুখৰ পম খেদি;
জোন বুলি
জোনাকী পৰুৱাৰ
পোহৰেৰে বাট বিচাৰি
অচিনা বাটৰ
বাট চিনি নাপাই
হঠাতে খাওঁ উজুটি।
স্মৃতিৰ সৰাপাত বুটলি
অন্তৰাগী সুৰুযে আহি
এমুঠি সোণোৱালী সপোন
দিয়েহি আহি;
শৰতৰ শেৱালী বুটলি
মায়াময় গধূলি জ্বলে
আশাৰ চাকি গছি।

## যাত্ৰা

নৰজ্যোতি বৰ্মন
নিউ গোৱালপাৰা, বিহুফিল্ড

অবিৰাম, নিৰন্তৰ, দ্ৰুত
মই আৰু মোৰ অশ্ব
যেন মৰুভূমিৰ মাজৰ যাত্ৰা
অভাৱ
ছায়াৰ, পানীৰ, জিৰণিৰ
যেন অনন্ত এই যাত্ৰা
ভাগৰুৱা, নিঠৰুৱা, অকলশৰীয়া
মৰিচীকা আৰু বালিৰ ধুমুহা
ক্লান্ততা কেৱল ক্লান্ততা।
ময়েই যেন সেই নেপলিয়ান
বিজয়ী সকলো যুদ্ধত
কিন্তু সংগীহীন কেৱল এটি পৰাজয়ৰ পিছত
ৱাটাৰলুৰ যেন পুনৰাবৃত্তি
ইতিহাসে কৰিছে আবৃত্তি
হাহাকাৰ হাহাকাৰ চাৰিওফালে
নেতা কেৱল ব্যক্তিগত আকাংক্ষাৰ পিছফালে।
বিভ্ৰান্ত জনতা
নিষ্ঠা আৰু আদৰ্শৰ দৈন্যতা।
শোষিত, নিস্পেষিত প্ৰজাৰ
লেকাম টানা তোমাৰ ৰজাৰ
মই আৰু মোৰ অশ্ব
যেন এক যোগ্য
অশ্বমেধ যোগ্য
মৰুভূমিৰ মাজেৰে মৰীচিকা বিচাৰি
হওক নিপাত
দুৰাচাৰি, ব্যভিচাৰি, অত্যাচাৰী
দুৰ্যোধন ৰূপী নেতা পালিনেতা
সজাগ হোৱা জনতা।

ম'বাইল ঃ ৯১০১২-১৪০৭৮

## অদ্ভুত

নয়ন মণি মিশ্ৰ
নগাঁও, অসম

মৃত্যুৰ বয়স কিমান
আমি বাৰু
ইয়াক লৈ কিমান চিন্তা কৰোঁ,
মৃত্যুক কোনোবাই
প্ৰতাৰক বুলি কয়-
আচলতে
'মৰীচিকা'
গল্পৰ প্ৰধান খলনায়ক কোন?

ম'বাইল ঃ ৮৪০৩৮-৪১৬১৭

## সন্তান

ফুকন কৈৱৰ্ত
ৰামপুৰ, কামৰূপ

আপোনাৰ সন্তানটিৰ আপুনি পিতৃ,
অথবা মাতৃ কিম্বা জন্মদাত্ৰী।
আপোনাক সন্তানটিয়ে ইটো বিচাৰিব,
সিটো বিচাৰিব তাৰ জোখাৰে।
তাৰ প্ৰয়োজনত হাবিয়াস উথলি উঠিব
উচ্চাকাংক্ষাই দুৱাৰত টোকৰ মাৰিব
যি বিচাৰিছো তাকেই পাইছো বুলি ওভতগৰে নাচিব;
কিন্তু আপোনাৰ উপাৰ্জনৰ সীমাবদ্ধতাই
জানো বহন কৰিব পাৰিব
সন্তানৰ অতি হেঁপাহী চাহিদা।
আপুনি হয়তো ভাগৰি পৰিব,
সন্তানক পৰ্যাপ্ত সা-সুবিধা যোগানৰ ক্ষেত্ৰত
আপুনি ককবকাব লাগিব এদিন,
আপুনি লাজ পাব লাগিব সন্তানৰ আগত।
কিয় জন্ম দিছিলি বুলি ফেপেৰি পাতি উঠিব
আপোনাৰ সন্তানে.....
সময় থাকোতেই আপুনি সজাগ হ'ব লাগিব,
অভাৱৰ স'তে সন্তানক চিনাকি কৰি দিব লাগিব,
স্থান অনুসৰি প্ৰয়োজনৰ মাত্ৰাক কাবু কৰিব শিকাব লাগিব,
মিতব্যয়ীতাৰ শৃংখলাবদ্ধতাক প্ৰকট কৰিব লাগিব
জীৱনৰ খাল বিলত খোজ দিওঁতে;
আপুনি আপোনাৰ সন্তানটিক ভাবিবলৈ বাধ্য কৰাব লাগিব
শ্ৰমৰ মৰ্যাদা আৰু সন্মান কিমান।
জীৱনৰ খুটি-নাটি অতিক্ৰম কৰিবলৈ
সংস্কাৰপূৰ্ণ কৰি তুলিব লাগিব ভৱিষ্যত দিনৰ বাবে।
আপুনি অভিভাৱকত্বৰ দায়বদ্ধতাক মূৰ পাতি ল'ব লাগিব
আৰু গৌৰৱৰে ক'ব পাৰিব লাগিব এইজন সন্তান মোৰেই।

ম'বাইল ঃ ৯৬১৩৪-৯১৪৮৯



## ভৰপূৰ মাতৃৰ মৰম

সমুজ্বল ডেকা, ৰঙিয়া
পুঠিমাৰী মহাবিদ্যালয়

মই দেখিছোঁ পৃথিৱীখন অতি মুক্তভাৱে,
অকল মমতাৰ ছবি মা'ৰ মৰমৰ বাবে।
অযুত যন্ত্ৰণাৰে ডাঙৰ-দীঘল কৰা তুমি,
সুখৰ পৰ্বত আৰোহণত প্ৰখৰ তুমি।
তোমাৰ লগত হাঁহিছোঁ-কান্দিছোঁ আৰু ধেমালি কৰিছোঁ,
তোমাৰ জীৱন সুখময় হ'বলৈ মই শতবাৰ প্ৰণাম জনাইছোঁ।
তুমি যদি পোৱা বেদনা,
মোৰো নাথাকিব তেতিয়া শৰীৰত চেতনা।
তুমি যদি থাকা সুখ আৰু দুখত,
ময়ো থাকিম তেতিয়া সমভাগীৰ খোজত।

ম'বাইল ঃ ৭৫৭৮৮-৮০৯৩৩

## কোন?

পাপু মজুমদাৰ
নগাঁও,অসম

তুমি কোন?
সময়ৰ নিষ্ঠুৰ প্ৰশ্ন,
জীৱনৰ সূচীপত্ৰৰ পৰা
মচি যোৱা
মই
হয়তোবা
এমুঠি
মূল্যহীন
অভিযোগ।

ম'বাইল ঃ ৯৮৬৪২-০১৭৭৯

*প্ৰথম পৃষ্ঠাৰ পৰা*

## লখিমপুৰ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

সৈতে মত-বিনিময় কৰাৰ লগতে সামগ্ৰিক বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰায় এক কিলোমিটাৰ খোজ কাঢ়ি আমতলা মথাউৰিৰ ছিঙা অংশ পৰিদৰ্শন কৰে। উল্লেখ্য যে ১৯৮৯ চনত নিৰ্মাণ কৰা এই মথাউৰিৰ এটা অংশ ছিঙি যোৱাৰ ফলত অঞ্চলটোৰ প্ৰায় ৫ খন ৰাজহ গাওঁ জলমগ্ন হৈ পৰে। মুখ্যমন্ত্ৰীয়ে বানপীড়িত ৰাইজক যথোচিত সাহায্য প্ৰদান কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ সময়ত সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে অতি শীঘ্ৰে মথাউৰিৰ ছিঙা অংশ মেৰামতি কৰাৰ লগতে ইয়াৰ ওচৰতে থকা জানটোৰে পানী উলিয়াই দিয়াৰ ব্যৱস্থা কৰা হ'ব যাতে ৰাইজক নিজৰ ঘৰলৈ ওভতাই পঠিয়াব পৰা যায়। অহা ছেপ্টেম্বৰ-অক্টোবৰ মাহত এই মথাউৰিটো নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৰঙানদীৰ বাঢ়নী পানীয়ে ক্ষতিগ্ৰস্ত কৰা অসমমালাৰ অধীনত নিৰ্মীয়মান পাঁচনৈ-দিজো সংযোগী পথটোৰ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত ক্ষতিগ্ৰস্ত অঞ্চলটোত যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানপীড়িত লোকৰ সৈতে মত-বিনিময় কৰি ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত লোকসকললৈ সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলিও আশ্বাস প্ৰদান কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে বৰবিল মথাউৰিৰ খহনীয়া অংশ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ মথাউৰিটোৰ খহনীয়া ৰোধৰ বাবে যাবতীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ সময়ত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰীকা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক মানৱ ডেকা, নৱ কুমাৰ দলে, ড° অমিয় কুমাৰ ভূঞাৰ উপৰি জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি প্ৰমুখ্যে অন্যান্য বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে লখিমপুৰৰ লীলাবাৰী বিমানবন্দৰত উপস্থিত হৈ ৰঙানদী পাৱাৰ প্লেন্টৰ নেপকোৰ বিষয়ববীয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত ৰঙানদী প্ৰকল্পৰ পানী এৰি দিয়া, কাৰিকৰী ব্যৱস্থাৰাজী, জিলা প্ৰশাসনৰ সৈতে যোগাযোগ, ৰাইজক আগতীয়াকৈ অৱগত কৰা আদি বিভিন্ন বিষয়সমূহ আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰঙানদী প্ৰকল্পই পানী এৰি দিয়াৰ আগতে নেপকোৱে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে, সেই সন্দৰ্ভত শীৰ্ষ বিষয়াসকলৰ পৰা বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পৰ পানী একেলগে এৰি নিদি পৰ্যায়ক্ৰমে লাহে লাহে এৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নেপকোৰ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। ইয়াৰ বাবে প্ৰয়োজনীয় কাৰিকৰী দিশসমূহ আলোচনা কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। সময় থাকোতেই যাতে জনসাধাৰণক সাৱধান কৰিব পৰা যায়, তাৰ বাবে আগতীয়াকৈ জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰিবলৈও তেওঁ নেপকোৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৰষুণৰ আগজাননী পোৱাৰ পিছত অধিক সতৰ্কতাৰে তাৎক্ষণিকভাৱে পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই বৈঠকত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰীকা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক মানৱ ডেকা, নৱ কুমাৰ দলে, ড° অমিয় কুমাৰ ভূঞাৰ উপৰি জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি প্ৰমুখ্যে ৰঙানদী পাৱাৰ প্লেন্টৰ মুখ্য প্ৰকল্প বিষয়া পাৰ্থপ্ৰতীম দাস আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে এইবাৰৰ বানত লখিমপুৰ জিলাৰ ৫ টা ৰাজহ চক্ৰৰ ১২৯ খন গাওঁ প্লাৱিত হৈছে। ইয়াৰ ফলত ৪৬,৬৮৭ গৰাকী লোক ক্ষতিগ্ৰস্ত হৈছে। আনহাতে বানৰ ফলত ৪৫৪.৮২ হেক্টৰ কৃষিভূমি প্লাৱিত হৈছে। তদুপৰি ২২,৮৭১ টা পশুধন বানৰ কৱলত পৰিছে। প্ৰশাসনে তিনিটা শিবিৰ মুকলি কৰিছে আৰু ৪২৫ গৰাকী লোকে ইয়াত আশ্ৰয় লৈছে। প্ৰশাসনে ৪৯ টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। আনহাতে উদ্ধাৰ অভিযানৰ বাবে প্ৰশাসনে এটা এন ডি আৰ এফ আৰু ৪ টা এছ ডি আৰ এফৰ দল নিয়োগ কৰিছে।

## কাছাৰ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

পৰিস্থিতিৰ ওপৰত জিলা প্ৰশাসনে সতৰ্ক দৃষ্টি ৰাখিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰাক নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে বেটুকাণ্ডিৰ দৰে শ্লুইছ গে'ট মুকলি কৰিব পৰা নগ'ল আৰু ইয়াৰ ফলত চহৰখনৰ দ ঠাইসমূহ প্লাৱিত হৈ পৰে বুলিও কয়। বেৰেংগা মথাউৰি প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ অতিৰিক্ত পুঁজিৰ প্ৰয়োজন হ'লে আবণ্টন দিয়া হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে অৱগত কৰে যে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাই অহা ১০ জুনত বেৰেংগা ভ্ৰমণ কৰি মথাউৰিৰ অগ্ৰগতিৰ কাম তদাৰক কৰিব। অহা ২৮ জুলাইৰ ভিতৰত কাটিগড়া গেমন সেতুৰ কাম সম্পূৰ্ণ হ'ব বুলিও তেওঁ ঘোষণা কৰে। তেওঁ কয় যে বানপানীৰ আবদ্ধ পানী নিষ্কাষণ কৰিবলৈ ১০ টা পানীৰ পাম্প স্থাপন কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে আৰু প্ৰয়োজন অনুসৰি এই সংখ্যা বৃদ্ধি কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়া হৈছে। শিলচৰৰ বাবে এটা নিৰ্দিষ্ট পাম্পিং ষ্টেচন স্থাপনকে ধৰি বানপানী সমস্যাৰ স্থায়ী সমাধানৰ দিশতো তেওঁ গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে মন্তব্য কৰে যে চহৰখনত যাতে পানী আবদ্ধ হৈ থাকিব নোৱাৰে তাৰ বাবে নলা-নৰ্দমাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লগতে জলাশয়ৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চহৰ-নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত জলাশয় সংৰক্ষণ কৰাৰ জৰিয়তে নগৰীয়া বানপানী বহু পৰিমাণে দূৰ কৰিব পৰা যায়। তেওঁ লগতে কয় যে জলাশয় দ্ৰুতগতিত হ্ৰাস পোৱাৰ বাবে পৰিৱেশগত সমস্যা আহি পৰিছে। শিলচৰ আৰু ইয়াৰ আশে-পাশে থকা মালিনী বিল, মহীছা বিল, ৰংগিৰখাল আৰু চিংগাৰখালে প্ৰাকৃতিক জলাশয় হিচাপে পানী সংৰক্ষণৰ দিশত অন্যতম ঠাই হিচাপে পৰিগণিত হৈ আহিছে। এই জলাশয়সমূহ সুৰক্ষিত কৰিলে চহৰখনৰ কৃত্ৰিম বানপানী নিৰসন কৰাৰ দিশত যথেষ্ট সহায়ক হৈ উঠিব বুলিও তেওঁ মন্তব্য কৰে। নগৰীয়া বান সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণৰ চিন্তা-চৰ্চা কৰি আছে। আনহাতে, মুখ্যমন্ত্ৰীয়ে বৰাক নদীৰ সমীপত থকা তাৰাপুৰ শিৱবাৰী পথটোৰ বানপানীৰ ফলত ডুব যোৱা অংশ পৰিদৰ্শন কৰাৰ লগতে ইয়াক তাৎক্ষণিকভাৱে মেৰামতিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে এই কামৰ বাবে সুগভীৰ ড্ৰিলিং কৰা হ'ব যাতে অঞ্চলটোত এটা পদপথ নিৰ্মাণ কৰিব পৰা যায়। এই পৰ্যন্ত শিলচৰত হোৱা বানপানীৰ ফলত এজন লোকৰ মৃত্যু হৈছে। মুখ্যমন্ত্ৰীয়ে কাছাৰৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত মৃত্যু হোৱা ব্যক্তি গৰাকীৰ নিকট আত্মীয়ক এককালীন সাহায্য প্ৰদান কৰে। উল্লেখ্য যে বৰাক নদীৰ বাঢ়নী পানীয়ে কাছাৰ জিলাৰ ৫ টা ৰাজহ চক্ৰৰ ১৪৬ গাঁৱক প্লাৱিত কৰিছে। বৰ্তমানলৈকে জিলাখনৰ ৯০ টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে আৰু ইয়াত ৯০,২৪৯ গৰাকী লোক এই আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰি আছে। বৰ্তমানলৈকে জিলা প্ৰশাসনে ২৪ টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰি থকা লোকসকলক প্ৰয়োজনীয় অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ উপৰিও প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদান কৰি থকা হৈছে।

## গুৱাহাটীৰ তৰুণ নগৰত ৰহস্যজনকভাৱে উদ্ধাৰ উত্তৰ প্ৰদেশৰ মহিলাৰ মৃতদেহ

**গুৱাহাটী ঃ** গুৱাহাটীৰ তৰুণ নগৰৰ এটা বাসগৃহত উদ্ধাৰ হৈছে এগৰাকী মহিলাৰ মৃতদেহ। জানিব পৰা মতে, মহিলাগৰাকীৰ ঘৰ উত্তৰ প্ৰদেশত। এই ঘটনাই এতিয়া অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত মহিলাগৰাকীৰ নাম সংগীতা নিছাদ। যোৱা ২ জুনত নিজ ঘৰত তেওঁক চিপ থকা থকা অৱস্থাত উদ্ধাৰ কৰা হৈছিল। সংগীতাই চলিত বৰ্ষৰ ৭ মাৰ্চত উত্তৰ প্ৰদেশৰ বাসিন্দা ৰাজেশ কেৱাটৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। মহিলাগৰাকীৰ পৰিয়ালৰ লোকে জনোৱা মতে, বিবাহৰ পিছৰে পৰা মহিলাগৰাকীক স্বামীৰ পৰিয়ালে মানসিকভাৱে অহৰহ অত্যাচাৰ চলাইছিল। ৰাজেশ কোৱাট এপিডিচিএল (অসম পাৱাৰ ডিষ্ট্ৰিবিউচন কোম্পানী লিমিটেড)ত কৰ্মৰত। সেই সূত্ৰেই উত্তৰ প্ৰদেশৰ বাসিন্দা ৰাজেশৰ পৰিয়ালে গুৱাহাটীত বসবাস কৰি আছিল। সংগীতাৰ মৃত্যুৰ খবৰ পোৱাৰ পিছত উত্তৰ প্ৰদেশৰ পৰা গুৱাহাটীলৈ আহিছে সংগীতাৰ পৰিয়াল। সংগীতাৰ মৃত্যুত স্বামীৰ পৰিয়াল জড়িত থকাৰ অভিযোগ উত্থাপন কৰি ভঙাগড় আৰক্ষী থানাত এফআইআৰ দাখিল কৰিছে সংগীতাৰ পৰিয়ালে। বিশেষভাৱে স্বামীৰ বিৰুদ্ধে হত্যাৰ অভিযোগ উত্থাপন কৰি এই কাণ্ডৰ সম্পূৰ্ণ তদন্তৰ দাবী জনাইছে পৰিয়ালে। বৰ্তমান আৰক্ষীয়ে এই গোচৰৰ তদন্ত অব্যাহত ৰাখিছে।

## আন্তঃৰাজ্যিক কেইবাটাও বিষয় সমাধানৰ অৰ্থে কইনাধৰাত অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ বৈঠক

সাপেক্ষেহে ভৱিষ্যতৰ কাৰ্যব্যৱস্থা লোৱা হ'ব বুলিও তেওঁ কয়। এই বৈঠকত গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ সম্পৰ্কত বিতংভাৱে আলোচনা কৰা হয়। মেঘালয়ৰ তিনিটা স্থানৰ পৰা অহা পানীয়ে গুৱাহাটী মহানগৰীত কেনেদৰে কৃত্ৰিম বানপানীৰ সৃষ্টি কৰে সেই বিষয়টো প্ৰেজেণ্টেশ্যনৰ জৰিয়তে বৈঠকত অসম চৰকাৰৰ তৰফৰ পৰা মেঘালয় চৰকাৰক অৱগত কৰা হয়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ সম্পৰ্কত প্ৰথমবাৰৰ বাবে অসম আৰু মেঘালয় চৰকাৰে আজি আলোচনাৰ মেজত মিলিত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে মেঘালয়ৰ পৰা নামি অহা পানীৰ ধলে কিদৰে গুৱাহাটী মহানগৰীত কৃত্ৰিম বানপানীৰ সমস্যাৰ সৃষ্টি কৰিছে সেই কথা মেঘালয় চৰকাৰে উপলব্ধি কৰিছে। তেওঁ কয় যে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে 'নৰ্থ ইষ্ট স্পেচ এপ্লিকেশ্যন চেণ্টাৰ'ৰ সহায় লোৱাৰ বাবে দুয়োখন ৰাজ্যৰ চৰকাৰে বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ কয় যে নৰ্থ ইষ্ট স্পেচ এপ্লিকেশ্যন চেণ্টাৰে খানাপাৰা, জুৰীপাৰ আৰু যোৰাবাট অঞ্চলৰ 'চেটেলাইট মেপিং' কৰিব। মেঘালয়ৰ কোন কোন স্থানৰ পৰা পানী গুৱাহাটীৰ বিভিন্ন অঞ্চললৈ প্ৰৱাহিত হয় সেয়া আগন্তুক তিনি মাহৰ ভিতৰত চেটেলাইট মেপিং কৰা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত তাক আই আই টি, ৰুৰকীলৈ প্ৰেৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে আই আই টি, ৰুৰকীয়ে এই সমস্যাটো সমাধানৰ বাবে যি পৰামৰ্শ আগবঢ়াব তাক যৌথভাৱে দুয়োখন চৰকাৰে ৰূপায়ণ কৰাৰ বাবে প্ৰচেষ্টা চলাব। গুৱাহাটীলৈ আহি মহানগৰীখনৰ কৃত্ৰিম বানপানীৰ সমস্যা সম্বন্ধে বুজ লোৱাৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড° শৰ্মাই ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে আজিৰ এই আলোচনাই বহুকেইটা সমস্যা সমাধানৰ দিশত আগুৱাই নিয়াত ইতিবাচক প্ৰভাৱ পেলাব। এই বৈঠকত অসম চৰকাৰৰ তৰফৰ পৰা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে মুখ্য সচিব ড° ৰবি কোটাৰ উপৰি কেইবাটাও বিভাগৰ প্ৰধান সচিবকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আনহাতে মেঘালয় চৰকাৰৰ তৰফৰ পৰা ৰাজ্যখনৰ পৰ্যটন আদি বিভাগৰ মন্ত্ৰী পল লিংগ্ডোৰ উপৰি মুখ্য সচিব ডি পি ৱাহলাঙকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

## উত্তৰ-পূবৰ ৰাজ্যসমূহত অনিয়ন্ত্ৰিত হৈ পৰিছে বান পৰিস্থিতি

**গুৱাহাটী ঃ** বান, ভূমিস্খলন আৰু অন্যান্য দুৰ্যোগ সংক্ৰান্তীয় দুৰ্ঘটনাৰ বহুজন লোকৰ প্ৰাণ হানি হয়। মঙলবাৰেও অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মঙলবাৰে অসম আৰু ছিকিমৰ মুখ্যমন্ত্ৰীসকলৰ লগতে মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভল্লাকো ফোন কৰি উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বান পৰিস্থিতিৰ বুজ লয় আৰু বান বিপদৰ সৈতে মোকাবিলা কৰাৰ লগতে সাহায্য আৰু পুনৰ্বাসনৰ প্ৰচেষ্টাত সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যৰ বিষয়াসকলে জনোৱা মতে, ২৯ মে'ৰ পৰা অব্যাহত থকা বৰষুণ আৰু বানপানীৰ সময়ত মৃত্যু হোৱা ৪৪ জনৰ ভিতৰত অসমৰ পৰা কমেও ১৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে অৰুণাচল প্ৰদেশৰ ১২ জন, মেঘালয়ত ৬ জন, মিজোৰামৰ ৫ জন, ত্ৰিপুৰাত ২ জন আৰু নাগালেণ্ড আৰু মণিপুৰত এজনকৈ লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। অসমত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ প্ৰতিবেদন অনুসৰি ২১খন জিলাত ৬.৩৩ লাখৰো অধিক লোক বানপানী আৰু বৰষুণৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। এএছডিএমএৰ প্ৰতিবেদনত কোৱা হৈছে যে ২১খন জিলাৰ ১৫০৬খন গাঁৱৰ ১৪,৭৩৯ হেক্টৰতকৈ অধিক শস্যৰ মাটি ক্ষতিগ্ৰস্ত হৈছে। অসমৰ বহু ঠাইত বিপদ সীমাৰ ওপৰেৰে বৈ আছে প্ৰবল ব্ৰহ্মপুত্ৰ আৰু আন ছখন নদী। অৰুণাচল প্ৰদেশৰ মুঠ ২৬খন জিলাৰ ২৩খন জিলাৰ ১৫৬খন গাঁৱত ১০০০ৰো অধিক লোক বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনা বিষয়াগৰাকীয়ে কয় যে নিম্ন সোৱণশিৰি জিলাৰ যথেষ্ট ক্ষতি হৈছে, প্ৰায় ১৭০টা ঘৰ ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত ৫০টাতকৈও অধিক পথ, ১৬টা বিদ্যুৎ পৰিবাহী লাইন, ২৫টা পানী যোগান লাইন আৰু দুখন বিদ্যালয়ৰ ক্ষতিসাধনকে ধৰি কেইবাটাও আন্তঃগাঁথনিৰ ক্ষতিও হোৱা বুলিও তেওঁ উল্লেখ কৰে। ইটানগৰ ৰাজধানী অঞ্চল (আইচিআৰ) আৰু কেছাঙতো ব্যাপক ধ্বংসলীলাৰ বাতৰি পোৱা গৈছে, য'ত আইচিআৰৰ মূল পানী পাইপলাইন আৰু দাৰিয়া পাহাৰৰ পথৰ দৰে মূল সম্পত্তি গুৰুতৰভাৱে প্ৰভাৱিত হৈছে। যোৱা ১০ দিনত হোৱা প্ৰচণ্ড বৰষুণৰ ফলত মিজোৰামত ভূমিস্খলন, ঘৰ ভাঙি যোৱা আৰু অন্যান্য দুৰ্যোগত ৫ জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা আৰু পুনৰ্বাসন বিভাগৰ এগৰাকী বিষয়াই জনোৱা মতে, ভূমিস্খলন আৰু ক্ষন্তেকীয়া বানপানীৰ ফলত ঘৰ আৰু দেৱাল ভাঙি যোৱাৰ ফলত চম্পাই জিলাত তিনিজন ম্যানমাৰৰ শৰণাৰ্থী আৰু আইজল আৰু চেৰছিপ জিলাত এজনকৈ শৰণাৰ্থীৰ মৃত্যু হয়। বিগত ১০ দিনত পাহাৰীয়া ৰাজ্যখনৰ কেইবাখনো জিলাত ৫৫২টা ভূমিস্খলন সংঘটিত হোৱাৰ বিপৰীতে একে সময়ছোৱাত বৰষুণৰ ফলত ১৫২টা ঘৰ ক্ষতিগ্ৰস্ত হৈছে। মুঠ ১১খন জিলাৰ ভিতৰত ম্যানমাৰৰ সীমান্তৱৰ্তী পূব মিজোৰামৰ চম্পাই জিলাত বৰষুণৰ বাবে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। ত্ৰিপুৰা, মেঘালয় আৰু নাগালেণ্ডৰ বান পৰিস্থিতিৰ সামগ্ৰিক উন্নতি হৈছে বুলি জানিব পৰা গৈছে।




Janasanyog RO no 467/25/6-June-25

# আউনীআটী উচ্চতৰ মাধ্যমিকৰ দুৱাৰ মুকলি, নিজে পঢ়া বিদ্যালয়ত ড° পীতাম্বৰ দেৱ গোস্বামী



**বিকাশ শইকীয়া, মাজুলী ঃ** ১৯১৯ চনত প্ৰতিষ্ঠা হোৱা আউনীআটী উচ্চবুনিয়াদী বিদ্যালয় উচ্চতৰ মাধ্যমিক হ'ল। ১৯৮১ চনত উচ্চ মাধ্যমিক হোৱাৰ পিছত উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱাত আনুষ্ঠানিক দুৱাৰ মুকলি কৰি নিজে পঢ়া বিদ্যালয়খনত আৱেগিক হৈ পৰে আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী। ১০৬ বছৰীয়া শৈক্ষিক যাত্ৰাৰ সীমনাত এই ঐতিহাসিক মুহূৰ্তত সত্ৰাধিকাৰ গৰাকীয়ে বিদ্যালয়খনিৰ উচ্চতৰ শাখাৰ শুভ আৰম্ভণি ঘটায়। উচ্চতৰ শাখাৰ উদ্বোধনী আৰু নৱাগত আদৰণি সভাত মুখ্য বক্তা ৰূপেও অংশগ্ৰহণ কৰি সত্ৰাধিকাৰ গৰাকীয়ে চৰিত্ৰ গঠনৰ শিক্ষা দিয়াত গুৰুত্ব দিয়ে। আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰাই তেনে এক অভিযান আৰম্ভ হ'ব বুলি তেখেতে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য, আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১০৬ বছৰীয়া বৰ্ণিল যাত্ৰাৰ নৱ সংযোজন উচ্চতৰ শাখাৰ শুভাৰম্ভণি আৰু উচ্চতৰ শাখাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যেৰে নৱাগত আদৰণি সভাখনত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয়ৰ সন্মানীয় আচাৰ্য ড° পীতাম্বৰদেৱ গোস্বামী, মাজুলী বিধান সভা সমষ্টিৰ বিধায়ক ভুৱন গাম, মাজুলী জিলা সংমণ্ডলৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঁই, অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ ফুকন, গড়মূৰ পীতাম্বৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী, মাজুলী আউনীআটী হেম চন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগত জ্যোতি সাতোলা, অৱসৰপ্ৰাপ্ত শিক্ষক গংগাধৰ বৰা, লক্ষ্মীনাথ বৰুৱা, আউনীআটী সত্ৰৰ বিশিষ্ট বৈষ্ণৱ হেৰম্ব প্ৰসাদ হাজৰিকা, খগেন লেখাৰু, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। বিশিষ্ট অতিথিৰ ভাষণত বিদ্যালয়সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঁইয়ে বিভিন্ন প্ৰত্যাহ্বান নেওচি বিদ্যালয়খনে দেখুওৱা পাৰদৰ্শিতাৰ শলাগ লয় আৰু ভৱিষ্যতে শিক্ষা বিভাগৰ তৰফৰ সকলো সহযোগিতা আগবঢ়াব বুলি তেখেতৰ ভাষণত কয়। স্থানীয় বিধায়ক ভূৱন গামে সভাৰ উদ্বোধনি ভাষণত শিক্ষাৰ ক্ষেত্ৰত তেখেতে মাজুলীত আৰম্ভ কৰা বিভিন্ন কাৰ্যক্ৰমৰ বিশদ ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কমল দত্তৰ পৰিচালনাত হোৱা সভাখনিত বিদ্যালয়ৰ অধ্যক্ষ প্ৰশান্ত দোলাকাষৰীয়াই আদৰণি ভাষণ প্ৰদান কৰে। সভাখনিত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বিশিষ্ট ব্যৱসায়ী বেদান্ত বৰাই দহ যোৰ ডেক্স-বেঞ্চ আগবঢ়ায়। প্ৰয়াত হৰেন্দ্ৰ নাথ হাজৰিকাৰ সোঁৱৰণত তেখেতৰ পৰিবাৰ সুৰবালা হাজৰিকাই উচ্চতৰ শাখাৰ প্ৰথম বৰ্ষত শ্ৰেষ্ঠ ছাত্ৰজনক পাঁচহাজাৰ টকাৰ পুৰস্কাৰ দিব বুলি ঘোষণা কৰে। মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা সকলৰ প্ৰতি কৃতজ্ঞতা জনাই প্ৰতিনিধিমূলকভাৱে আউনীআটী সত্ৰৰ হেৰম্ব প্ৰসাদ হাজৰিকা, জুগুনীধাৰীৰ হেৰম্ব প্ৰসাদ বৰা আৰু লাহলিয়াল গাঁৱৰ মোহন চন্দ্ৰ ভূঞাক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য, ইতিমধ্যে উচ্চতৰ শাখাত আঠগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। কম্পাৰ্টমেন্টেল পৰীক্ষাৰ পৰাও সেই সংখ্যা বৃদ্ধি পাব বুলি আশা কৰিছে বিদ্যালয়ে। বিয়লি অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক ধীৰেন্দ্ৰনাথ বৰাই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও শিল্পীদ্বয় জাহ্নৱী মিশ্ৰ আৰু চিৰঞ্জিত ভূঞাৰ গীতৰ শৰাই, মণিকাঞ্চন পৰ্টেলৰ পৰিচালন সঞ্চালক মানিক বৰাৰ পৰিচালিত আধ্যাত্মিক শিল্পী সমাজৰ দিহা নাম আছিল সভাৰ বিশেষ আকৰ্ষণ। আৰম্ভণিতে সত্ৰাধিকাৰ গৰাকীয়ে দীপাংকৰ গগৈ আৰু গাৰ্গী গগৈৰ তত্বাৱধানত প্ৰকাশ হোৱা উচ্চতৰ শাখাৰ প্ৰথমখনি প্ৰাচীৰ পত্ৰিকা 'যুগান্তৰ' উন্মোচন কৰে।

# ভাল লগা আৰু ভালপোৱা

■ **অৰ্ণৱ কটকী,** জাঁজী যোৰহাট জিলা

এই ধৰক আপোনাৰ ভাল লাগিছে কোনো ব্যক্তি বা বস্তু। অকণমান সময় হ'লেও মনটো প্ৰশান্তিৰে উঠলি উঠিছে সেইয়াই ভাল লগা। ভাল লগা বিলাক ক্ষন্তেকীয়া, কিছু কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। আপোনাৰ ভাল লগাটো অভ্যাস হৈ পৰিলে ভাল পোৱা হ'ব পাৰে তাত কোনো সন্দেহ নাই। কিন্তু ভাল লগা (যিকোনো বস্তু বা ব্যক্তি) আঁতৰত থাকিলেহে চাই ভাল লাগে যদি তাক নিজৰ কৰি অনা হয় তেনে সেই গুৰুত্ব আৰু ভাল লগা নোহোৱা হৈ পৰে।

আনহাতে ভালপোৱা সদায় পৃথক, একক, অনন্য। ভালপোৱাই অলপ মৰম, বিশ্বাস, শ্ৰদ্ধা আৰু সহযোগ বিচাৰে। নিজৰ সকলো উজাৰি ভালপোৱা জীয়াই ৰখাৰ চেষ্টা কৰে। ভালপোৱা পুৰণি নহয় সদায় ই চিৰনতুন হৈ থাকে। আমনি কাৰণ কেতিয়াও ভালপোৱা নহয়, কিন্তু ভাল লগা বিলাক কেতিয়াবা আমনি দায়ক হৈ পৰে। আপোনাৰো আছে নেকি এনে ভাল লগা বা ভালপোৱা? আমি প্ৰায়েই ভুল কৰোঁ ভাল লগা আৰু ভালপোৱা নিচিনি। সময় থাকোঁতেই ইয়াৰ প্ৰকৃত সত্য চাই লোৱা আজি সময়ত অতিকে প্ৰয়োজন। ভালে থাকক সকলো।

**ম'বাইল ঃ** ৬০০০৩-৬৯৭০৫






# মুকালমুৱাৰ চতেমাৰীত অভিনন্দন অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষক সম্বৰ্ধনা



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত চতেমাৰী গাঁৱত কৃতী ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষক সম্বৰ্ধনা জ্ঞাপন শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। পশ্চিম চতেমাৰী শংকৰজ্যোতি সংঘৰ উদ্যোগত সংঘৰ বাকৰিৰ ৰাজহুৱা মঞ্চত অনুষ্ঠিত হয় অনুষ্ঠানটো। স্থানীয় গাঁওপ্ৰধান ৰাজেশ্বৰ দাসে আঁত ধৰা অনুষ্ঠানটো অসম সংগীত পৰিৱেশনেৰে আৰম্ভ হয়। অঞ্চলটোৰ অৱসৰী প্ৰধান শিক্ষক প্ৰমোদ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত গাঁওখনৰ গৌৰৱ, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ ড° বিপুল দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। যোৱা ২০ মে'ত গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰে ড° বিপুল দাসক পশ্চিম চতেমাৰী শংকৰজ্যোতি সংঘই গামোছা, ফুলাম জাপি আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনায়। তদুপৰি গৰাখহনীয়াই বিছিন্ন কৰা গাঁওখনলৈ সুনাম কঢ়িয়াই অনা ড° বিপুল দাসক পশ্চিম চতেমাৰী গাঁও পৰিচালনা সমিতিৰ হকে সম্পাদক অক্ষয় হালৈ, শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মনোৰম হালৈ গামোছাৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানটোত এইবেলি গাঁওখনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ কুৰিগৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোছা আৰু সংঘৰ মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত গাঁৱৰ আপোন মানুহৰ সম্বৰ্ধনা গ্ৰহণ কৰি গাঁৱৰ প্ৰতি দায়িত্ব থকাৰ কথা সদৰী কৰি শিপা পাহৰিব নালাগে বুলি ভাষণ প্ৰসংগত কয় ড° বিপুল দাসে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত লোহাৰকাঠাস্থিত পূৱ বৰক্ষেত্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে কৰ্মৰত চম্পক কুমাৰ দাসে শেহতীয়াকৈ উচ্চতৰ মাধ্যমিকত বিষয় শিক্ষক হিচাপে যোগদান কৰাত সভাই তেওঁক সম্বৰ্ধনা জনায়।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিন্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।

*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 & Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor :* Pranati Bora

*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা